THE ...RIN ... OLAI HALL & LIBRARY
-2 DEC 1958
GAUHATI

# ধূলি—হে ধূলি

Please handle the book carefully.

ছাত্র পাঠাগাৰ

Please handle the book carefully

THE NABIN BARDOLAI HALL & LIBRARY
-2 DEC 1958
GAUHATI

# ধূলি—হে ধূলি

যতীন গোস্বামী

সম্পাদক :—
অধ্যাপক প্ৰমোদ ভট্টাচাৰ্য্য
গুৱাহাটী

★

প্ৰকাশক :—
শ্ৰীঅক্ষয় গোস্বামী
ভ্ৰাতৃ পাঠাগাৰ
পাটাছাৰকুছি [ অসম ]

★

ৰূপসজ্জা :—
শ্ৰীত্ৰৈলোক্য দত্ত
কলিকতা

★

মুদ্ৰাকৰ :—
শ্ৰীৰাধাগোবিন্দ বছাক
শ্ৰীকান্ত প্ৰেস
৭৫, বৈঠকখানা ৰোড
কলিকতা

★

১ম প্ৰকাশ :—
আগষ্ট ১৯৫৮

বেচ ডেৰ টকা মাথোন

★
★★

## স্পন্দন

" . দুয়ো ইমান উতলা হৈ
পাহৰি সকলো
নিৰাভৰণা মানৱৰ ৰূপজ্যোতি
চাইছিলোঁ অলপ আগতে,
নিৰাভৰণা পৃথিৱীৰ মৃত্যুমুখী গাত
নিৰীক্ষণ কৰিলোঁ। এতিয়াহে
মই অকলে।
ব্যথা মোৰ সেই সুপ্তা প্ৰিয়া
আৰু এই জাগ্ৰত পুৰুষ—
দুয়োটাৰ মাজতেই চুপে চাপে
কাল পুৰুষৰ
তৰোৱাল আগবাঢ়ি আছে।
তাকে মই কথাৰে বোলাওঁ "

—ফণী তালুকদাৰ

★★
★

THE NAGEIN ... HALL & LIBRARY.
-2 DEC 1958
GAUHATI

ব্যস্ত কৰ্ম্ম-জীৱনৰ মাজতো যাৰ মৰম আৰু চেনেহৰ সুধা পান কৰি শান্তি আৰু প্ৰেৰণা পাওঁ, সেইজনা মুক্তমনা শ্ৰীবিচিত্ৰনাৰায়ণ দত্ত বৰুৱালৈ শ্ৰদ্ধাৰে 'ধুলি-হে ধূলি' আগবঢ়াইছোঁ।

Please handle the book carefully

# স্বীকাৰ

ইমান দিনে যোগ্যতম লিখকেই চুটি-গল্প ৰচনা কৰিছে। বহুতে তাতে খ্যাতি লাভ কৰিছে, বহুতে হয়তো খ্যাতি কামনা নকৰাকৈয়ে গল্প লিখি আছে। চুটি-গল্প লিখক বুলি কোৱাৰ উচ্চাকাঙ্ক্ষা আমাৰ নাই ; সেই বুলি লিখা গল্পক নিলিখা বুলি মিছা কোৱাৰ সাহসো অৰ্জ্জন কৰাৰ চেষ্টা আমি কৰা নাই। গল্প লিখিছোঁ— নিজৰ কাৰণেই নে লোকৰ কাৰণে লিখিছোঁ নেজানোঁ, মুঠতে লিখিছোঁ। কেতবোৰ বন্ধুৰ খেচখেচনিত ৰব নোৱাৰি তাৰে কেইটামান গোটাই কিতাপ আকাৰে নুলিয়াকৈ নোৱাৰিলোঁ।

অধ্যাপক শ্ৰীপ্ৰমোদ ভট্টাচাৰ্য্যই প্ৰীতি আৰু বন্ধুত্বৰ চিন স্বৰূপে কিতাপখনি সম্পাদনা কৰি দি আমাক কৃতজ্ঞতাৰ পাশত আৱদ্ধ ৰাখিছে।

চপাশালৰ কাৰণে যিসকলে অশেষ কষ্ট কৰি গল্পবোৰ নকল কৰি দিয়াৰ উপৰিও অন্যান্য ৰকমে সহায় কৰি দিছে, তেওঁলোকৰ শলাগ লবই লাগিব।

পৰিশেষত ভ্ৰাতৃ পাঠাগাৰৰ শ্ৰীবৃদ্ধি কামনা কৰোঁ। ইতি –

যতীন গোস্বামী
গুৱাহাটী

৩০ আগষ্ট ১৯৫৮

# সূচী

পগলাৰ পৰীক্ষা : আবিষ্কাৰ-৯ : সমিধান-২০ : ধূলি—হে ধূলি-৩১ : লতিকা—তাইৰ সাধু-৩৯ : বাঢ়নীৰ একা বেঁকা ৰেখা ৫০ : এখনি নিখিলা চিঠি-৬০ : সাৰ পাই - ৬৮

THE NABIN ... LIBRARY
-2 DEC 1958
GAUHATI

## পগলাৰ পৰীক্ষা আৰু আৱিষ্কাৰ

সুস্থ মানুহৰ মনৰ-যাদুঘৰ পগলা-ফাটকটো বুলি জনা নাছিলোঁ। তেজপুৰৰ পগলা-ফাটক চাওঁ বুলি গৈয়েই তাত লগ পালোঁ মোৰ শৈশৱৰ পৰা যৌৱনলৈকে সহপাঠী ডাঃ ইক্ৰামক। আই এচ. চি পাছ কৰি সি গল মেডিকেল পঢ়িবলৈ, মই বি এচ. চিত নাম লেখিলোঁ। এতিয়া ইক্ৰাম ইয়াতে ডাক্তৰ। তাক খাটিলোঁ—"ভিতৰৰ পগলাবোৰ দেখুৱা"। সিও ভাল পালে। ইটোৰ পাছত সিটোকৈ পগলা দেখুৱাই প্ৰত্যেকৰে আতিগুৰি আৰু চিকিৎসাৰ কথা কৈ গ'ল। তাৰ পিছত আৰু এটা পাগল। তাক পগলা বুলি ভবা নাছিলোঁ কিন্তু। কিয় নেজানো তাৰ বিষয়ে জানিবলৈ ব্যগ্ৰ হৈ পৰিলোঁ।

তাৰ হেনো মূৰৰ বিকাৰ হোৱা চাৰি বছৰ হল। আগতে ভাল খেতিয়ক আছিল। বয়স হব কিজানি ত্ৰিশ পয়ত্ৰিশৰ ভিতৰতে। মানুহজনক অতিপাত খীণাই যোৱা বুলি ধৰিব পাৰি। কিন্তু শৰীৰৰ গঠন, গাৰ ৰং আৰু মুখৰ চেহেৰা চাই তাক সততকাই পগলা বুলি কোৱা টান। বেচি ভাগ সময় ভাবি থাকে; তাৰ পিছত সুন্দৰ দাৰ্শনিকৰ দৰে যুক্তিপূৰ্ণ কথাবোৰ অনৰ্গল কৰলৈ ধৰে—দিনত কেতিয়াবা এবাৰ, কেতিয়াবা দুবাৰ। মানুহে কথা সুধিলে নেমাতে, কিন্তু মানুহৰ মুখলৈ কিবা

Please handle the book carefully.

সন্দেহৰ চাৱনি এটাৰে একেথৰে ৰ লাগি চাই থাকে। কেতিয়াবা মানুহৰ কামৰ পৰা আচৰিত ৰকমে লৰ মাৰি গৈ আঁতৰৰ পৰা সভয়ে চাই থাকে। তিনি চাৰি মাহতো দৰৱ আৰু মনোবিজ্ঞানৰ চিকিৎসাই বিশেষ কাম একো কৰা নাই। নিশা হেনো ভাল টোপনি নাহে, ব্ৰোমাইদ দিহে শুৱাই থোৱা হয়। তাৰ মস্তিষ্কৰ বিকাৰৰ কাৰণৰ অনুসন্ধান চলিয়েই আছে—ইক্ৰামে বিবৰণীত কৈ যায়।

ইক্ৰামে কলে, "বুজিছ মাণিক, এই পগলাটো লৈয়েই আমি হাবাথুৰি খাইছোঁ। ই এটা আচৰিত ধৰণৰ পাগল।"

"তেনেহলে তাৰ কি চিকিৎসা কৰিছ ?"

"ধৰি ল তাৰ ধৰিব নোৱাৰা বেমাৰটিৰ চিকিৎসা কৰিছোঁ বুলি। সি যে পগলা হল কিয় আৰু আচল দুৰ্বল অংশ কোনটো ধৰিব পৰা নাইকিয়া। বৰ্ত্তমান আমি তাৰ গতিবিধি লক্ষ্য কৰি আছো আৰু সি কোৱা কথাবোৰ অবিকল টুকি ৰাখিবলৈ তাৰ লগত এজন ষ্টেন'গ্ৰাফাৰ সদায় ৰখা হৈছে। আজি তিনিদিন হল কেৱল তাৰ কথাবোৰ টুকি থকা হৈছে। কিজানি তাৰ কথাৰ পৰাই কাৰণ ধৰা পৰে তাৰে অনুসন্ধানতেই এইটো কৰা হৈছে।"

পগলাটোৰ পিনে আকৌ এবাৰ চালোঁ। দেখিলোঁ সি যেন মোক বৰ ভয় কৰিছে—যেন কিবা এটা সন্দেহ কৰিছে। তাক কথা সুধিবলৈ মন গল ; তাৰ পৰিচয়ৰ কাৰণে ব্যস্ত হৈ পৰিলোঁ।

ইতিমধ্যে ইক্ৰামে এবাৰ অফিচলৈ গৈ কেখিলামান কাগজ আনিছিল। ইক্ৰাম আহি পোৱাৰ লগে লগেই পগলাটো থিয় হল আৰু থৰথৰকৈ কঁপিবলৈ ধৰিলে। গোটেই অৱয়বটি অস্থিৰ হৈ উঠিল তাৰ, শৰীৰৰ প্ৰতিডাল নোমেই থিয় হল।

"এয়া চা—সি আমাক ভয় কৰিছে।"

"এৰা।"

"অলপ পিছতেই লৰ মাৰি—" ইক্ৰামৰ কথাখিনি শেষ নৌহওঁতেই পগলাটোৱে এটা ভিৰাই লৰ মাৰিলে। কিছু আঁতৰৰ পৰা এক দৃষ্টিৰে আমালৈ চাই থাকে সি।

"দেখিলি, সি গলেই। হয়তো এঘণ্টা পিছতে সি আকৌ বলকিব। তই তাৰ বিষয়ে বৰকৈ ব্যস্ত হৈ পৰিছ নহয় ?"

"অঁ। সি বাৰু কি কি বলকে ?"

"এই কাগজ কেখিলাত সি যোৱা তিনিদিনত কোৱা কথাবোৰ সম্পূৰ্ণকৈ পাবি। পঢ়ি চা।" ইক্ৰামে কাগজ কেখিলা হাতত দিলে।

কাগজ কেখিলা হাত পাতি ললোঁ। সেইবোৰ পঢ়াতকৈ তাৰ পৰিচয় পাবলৈ মনটো বৰ ব্যগ্ৰ হৈ পৰিল।

"বাৰু ইয়াৰ ঘৰ কত ইক্ৰাম ? তাৰ জানো কোনো নাই ?"

"গুৱাহাটীৰ ওচৰত—বনতলীত ; নাম ৰমজান।"

"ৰমজান ! বনতলীৰ ৰমজান !"

Please handle the book carefully.

মনটি বৰ কিবাকিবি লাগিল—নিৰ্বাক হৈ পৰিলোঁ। মনত পৰিল আজি ছয় কি সাত বছৰ আগৰ দিন এটিলৈ। ৰমজানৰ ভৰালত তাৰ পৰিয়ালৰ কাৰণে এবছৰৰ জোখাৰে ধান নাছিল। তেতিয়াই মোৰ বেমাৰ—টাইফয়েদ। ৰমজানে তাৰ ভৰালৰ পৰা ধান বেচিও মোৰ চিকিৎসা কৰাইছিল। মনত পৰিল ৰমজানৰ কৰ্মঠ জীৱনটোলৈ। শাওন ভাদ মাহ্বতো দুপৰ বেলিলৈকে পথাৰত হাল বাই বাই এই ৰমজানে গোটেই গাৰ পৰা চৌ চৌকৈ ঘাম বোৱাইছিল—ব'দতে ক'লা পৰি গৈছিল ; তথাপি বোলে সি ভাগৰা নাছিল। নিজে নেখাইও বেচেৰাই লোকৰ কাৰণে মৰিব পাৰিছিল। এদিন সি কৈছিল, "দুখীয়া হলোঁ বুলিনো মনটোও কিবা নাই নে? যেতিয়ালৈকে আছে খা,—নহলে মোৰো নাই, তোৰো নাই।" মহেন্দ্ৰ মাষ্টৰে এদিন তাৰ বিষয়ে কৈ কৈছিল, "এ ট্ৰু বেনিভলেণ্ট।" সেইজন ৰমজাননে এয়া! সবল সুঠাম, বহল বুকুৰ তাহানিৰ ৰমজান এইটোৱেই নে !!

তাক সাৱতি ধৰি কান্দিবলৈ মন গল। বেদনাক্লিষ্টৰ দৰে বৰ অস্থিৰ হৈ পৰিলোঁ। ইক্ৰামে কিবা এষাৰ সুধিছিল—কাণত নোসোমাল। ৰমজানৰ 'আব্বাজান' বাচি থকা দিনৰে পৰা আমাৰ ঘৰৰে সৈতে বৰ মিল আছিল। বিপদে আপদে সহায় কৰিছিল। তাৰ পিছত আমাৰ যেনিবা দিন মুকলি হল। ৰমজানৰ কথা ভাবিবলৈ বা মনত পেলাবলৈ সময় নোহোৱা হল—তাক পাহৰি গৈছিলোঁ। এদিন মাজতে শুনিছিলোঁ:

ৰমজানে কিবা এটা চিন্তাত পৰি খেতি বাতি এৰি দিছে বুলি। তাৰ খবৰ লবলৈ অৱসৰ নহল। ছিঃ ইমান অকৃতজ্ঞ মই! নিজকে নিজে ঘিণ লাগিল। তাক চিনি পৰ্য্যন্ত নোপোৱা হলোঁ।

ইক্ৰামে . ইমান পৰে কি কৰি আছিল নেজানোঁ। হঠাৎ পিঠিত চাপৰ এটা মাৰি দি কলে, "কি দাৰ্শনিক হলি, নে ৰমজানৰ ডিজিজে তোকো ইন্‌ফেক্ট কৰিলে?"

ইক্ৰামৰ মুখৰ ফালে চালোঁ। একো নেমাতি এটা কৃত্ৰিম হাঁহি দিলোঁ। "নাই, ভাবিয়েই ভাল লাগিছে। বল কাগজ কেখিলা পঢ়োঁগৈ।"

*    *    *    *

১৪-৪-৫৩

১০-৪৫ ৰাতিপুৱা ......ইঃ ইমান বাহাদুৰি কৰিছ; ভণ্ডহঁত! তহঁতক মই ভালকৈয়ে চিনো—ইঃ নিচিনাৰ ভাও জুৰিছে। তোৰ ধৈৰ্য্য পুৰুষৰ পৰা চলি অহা স্বভাৱটো কেনেকৈ এৰিবি তই? শগুণে মঙহ খায়, কুকুৰেও খায়, বাঘেও খায়। শগুণ, কুকুৰ আৰু বাঘৰ ভিতৰত হীন কোন? শগুণ-কুকুৰে খায় মৰা মঙহ, বাঘে খায় জীয়া মঙহ—তাত কেচাঁ তেজ থাকে। কেচাঁবস্তু খালে হেনো শৰীৰত বল হয়। শগুণ আৰু কুকুৰে কেচাঁ মঙহ নেখায় দেখিয়েই বাঘৰ দৰে বলী নহয়। ন বছৰ

আগতে এদিন এটা বাঘে ডাওৰ মহ এটা মাৰি মই খেতি কৰা মাটিত থাইছিল। সেই বছৰত মোৰ মাটি টুকুৰাত বৰ ভাল খেতি হৈছিল। এৰা, জীয়া মহটোৰ তেজবোৰ মাটিত পৰাত মোৰ খেতিৰ মাটি টুকুৰাই সেই তেজ খাইছিল; মাটি টুকুৰবো বল বাঢ়িছিল। সেইদেখি মাটিয়ে ভাল খেতি দিলে। * *

ভেকুলীটোৱে নাদত জপিয়াই পৰিল কিয়— এ, বুজি জানো নোপোৱাকৈ থাকিলো ? সাপদালৰ খেদাত বৰ নোৱাৰি নাদতে পৰিলগৈ। কিয়—নপৰা হলে কি হানি আছিল ? সাপদালে তাক খালে হয়, তাৰ বল বাঢ়িলে হয় আৰু সি বিষ ধালিবলৈ বেচিকৈ বল আৰু সাহ পালে হয়। ভেকুলী-টোৱে যে নিজে মৰাৰ ভয়ত সাৰিবলৈ চেষ্টা কৰে, কিয় সি যে নিজে সৰু মাছ আৰু পোক পৰুৱা ধৰি খায়, সিহঁতে যদি তেনেকৈ পলাই সাৰে ভেকুলীয়ে বাচে কেনেকৈ ? খাবলৈ নেপাই মৰি যাব দেখোন! আগৰ দিনত বোলে ভেকুলীয়েও হাল বাই খেতি কৰি খাইছিল। খেতি কৰিবলৈ এৰি এতিয়া সিহঁতে লোকৰ মঙহ খাই ফুৰিব লাগিছে।

সিহঁতে মঙহো খায় কাৰ? সিহঁতৰ—যিবোৰে নিজে দুখ কৰি খায় হাবিয়ে বননিয়ে; কাৰো অন্যায় নকৰে। হেঃ হেঃ হেঃ……

১৪-৪-৫৩

৮ বজা (সন্ধিয়া) ……সিদিনা আহিনাই তাৰ সৰুটো পুতেকক বৰকৈ কোবালে কিয়? হাল মেলি আহি ডুপৰীয়া ঘৰ পাইয়েই তাৰ খঙ উঠিছিল। পুতেকে বোলে তাক কৈছিল "গৰু হাল যে ঘৰলৈ আনিলি, বাহিৰে বাহিৰে পথাৰত এৰি নিদিলি কিয়—শুকাই মাৰিলি যে? পথাৰত ডুকামোৰ ঘাঁহ খালেহেতেন।" আহিনাই কৈছিল, "দে দে পেকুপেকাই নেথাকিবিহক—দিম চৰ মাৰি—ডুপৰীয়াৰ লঘোনৰ মানুহ……।" পুতেকেনো কিয় বাপেকক তপকৈকৈ কলে, "শুন শুন মঙহ খোৱাৰ কথা…।" 'মঙহ খোৱা' বুলি কবহে পালে, দিলে নহয় বাপেকে হালোৱা লকৰে কোব! ইঃ তাক কোবাই বৰ পুৰুষটো চেলাইছে! 'মঙ্গহখোৱা' বুলিবলৈ তাক জানো আহিনাই শিকোৱা নাছিল?… আচ্ছা, কি মঙ্গহ খোৱা কথা কলে…[ কিছুপৰ নিমাত ] …ঠিক, ঠিক কৈছে—মঙহ নেখায়নো কি…!

১৫-৪-৫৩

ত'বজা (চুপবীয়া) গেৰুৱা পাগুৰী মাৰি ফুৰা সাধুটোৱে ভাত নেখায় যদি কি খায়! সিবাৰ এটাক দিলোঁ। এবাটি কোমল চাউল, দৈ গাখীৰ আৰু এটা আঠিয়া কল, নেখালে। একো নোখো-ৱাকৈয়ে হাতখন চাই দি কৈছিল, 'তোৰ নিজা মাটি হব—ভাগ্যত লেখা আছে"—এই বুলি। এবাটি এৱা গাখীৰ যাচিলোঁ; তাকো নেখালে বল বঢ়াৰ ভয় কৰি। ইবিধ যাচোঁ—নেখায়, সিবিধ যাচোঁ—নেখায়। শেষত খঙ উঠি কৈ পেলালোঁ, "একো নেখাৱ যদি মোৰ মূৰটোকে খা।" এৰা, খালেহেতেন কিজানি। মূৰত মঙ্গহ নাই কাৰণেই নেখালে…হয়নে …ঠিক হয়…মোৰ মঙ্গহ খাবলৈ…। এবাৰ আমাৰ গাওঁৰ মাধৱ মণ্ডলে কৈছিল—এটা পোলে সন্যাসী ওলাইছে—মৰা মানুহৰ শটো শ্মশানৰ গাঁতৰ পৰা উলিয়াই মঙ্গহবোৰ কামুৰি কামুৰি খায়। সেইজন সন্যাসীয়ে বোলে ভূত ভৱিষ্যত কব পাৰে। মানুহৰ মঙ্গহো মানুহে খায়নে? ছিঃ ছিঃ ছিঃ ·····সিবাৰ বেমাৰত পৰোতে নবেন ডাক্তৰে কৈছিল, "বেমাৰত নপৰিব কিয়—কম কাম কৰে নে?

কাম কৰি কৰি গাৰ মঙহ নাইকিয়া হৈ গৈছে —ছাল গৈ হাড়ত লাগিছে।" তেতিয়া কৈছিলোঁ, "কিয়, কাম কৰিলেহে বোলে গা ভাল হয় ··।" ডাক্তৰে কৈছিল; "যিমান কাম কৰ সেই হিচাবে মাছে-মঙহে, ঘিউ বা আন ভাল বস্তু খাইছনে? গাৰ মঙহ দেখোন নোহোৱা কৰিলি!"···গাৰ মঙহ কলৈ গল! কতা মই নিজেওতো খোৱা নাই! আন কোনেও খোৱা নাই।···নিশ্চয় হাল বাওঁতে ভুঁই মাটিয়ে খাইছিল চুঁৰকৈ: আৰু সেয়েহে মাটিত খেতিও ভাল হৈছিল, ধান, আলুগুটিবোৰ সেয়েহে বৰ ডাঙৰ ডাঙৰ হৈছিল

এবাৰ যে গাটো বিষাইছিল-সেই কাৰণেই। ঠিক আছে, মোৰ দেহৰ মঙহ মাটিক খুৱাই ভাল খেতি কৰিব পাৰিছোঁ।···কিন্তু খেতিৰ ফচলৰ মাজত মঙহ আছে নে নাই? আছে যদি কোনে খায় কোনে খায় - কোনে···(দৌৰ মাৰিলে)

১৬-৪-৫৩

৫॥ বজা (আবেলি) আলু—আলুগুটি—আলুগুটিৰ কিমান দাম বজাৰত? হেৰা! কিমান? ধানৰ একা? ভাল আলুৰ ভাল দাম। ভাল আলু বুলিলে কি বুজা? ডাঙৰ, ভিতৰত সাঁহ অৰ্থাৎ মঙহ

বেচি হব লাগিব, বেমাৰী হব নেলাগিব···। ভাল ধান—ভাল আলু—ভাল কুঁহিয়াৰ, ভাল সৰিয়হ, ভাল - ভাল—ভাল হেঃ হেঃ হেঃ—চব ভাল হব; ভালকৈ দেহা এৰি দি কৰিব পাৰিলে চব ভাল হব। দেহা এৰি মানে? দেহাৰ কথা ভাবিব নোৱাৰা, খোৱাৰ কথা ভাবিব নোৱাৰা—কেৱল খেতি—খেতি —খেতি। তোমাৰ গাৰ মঙ্গহবোৰ কোনেও নেদেখাকৈয়ে খেতিৰ মাটিয়ে খাব, মাটিৰ পুষ্টি হব, ভাল খেতি দিব, ফচল দিব শকত। তেন্তে কি হল? মঙ্গহেৰে ফচল তৈয়াৰ হল। সেই ফচল যেয়ে বেচিকৈ খাবা তাৰেই বেচি বল হব। বেচি সাহ বাঢ়িব, জিভা বহল হব—হবই। চোৱা কি গুণ, কি মহত্ব—তোমাৰ মঙ্গহেৰে এজনৰ পুষ্টি সাধন কৰিব পাৰিলা··· হিঃ হিঃ হিঃ। * * চোঃ, চেলৰ ভিতৰত কোনে কান্দে?···এৰি দিয়া, চব পাগল এৰি দিয়া। 'সিহঁতৰ গাৰ মঙ্গহ বেচি আছে—ভাল খেতি কৰি ভাল ফচল দিব···হেঃ হেঃ হেঃ —ধানৰ ফচল, আলুৰ ফচল, দাইল, সৰিয়হ, কুঁহিয়াৰ—ফচল···ফচল···মঙ্গহ···ফচল···তেওঁ —তেওঁ···হেঃ হেঃ হেঃ···"

মুখখন কন্দনামুৱা আৰু মলিন কৰি ইক্ৰামে যেন এইখিনি সময়ত জগতখনিৰ স্থায়িত্বৰ কথা পাহৰি গৈছিল। কি ভাবিছিল, নেজানোঁ; কিন্তু বৰ তন্ময় আছিল।

“ইক্ৰাম, ৰমজানক পাৰ যদি ভাল কৰ ভাই—মোৰে শপথ।”

“ৰমজানৰ চিন্তাত তই পাগল নহৱতো?”—অনিচ্ছা স্বত্বেই এইষাৰি কলে, “সি পগলা হোৱা নাই—ভালকৈ চা।”

ইক্ৰামৰ ওপৰত খং উঠিছিল। ইমানবোৰ প্ৰলাপ বলকিছে, কথাৰ স্থিৰতা নাই, সি পগলা নহৈ কোন? অথচ ইক্ৰামে কয়. ‘সি পগলা হোৱা নাই’ বুলি।

“পগলা তেন্তে কোন? ৰমজান যদি পগলা নহয়, তাক পগলা বুলি ফাটেকত ৰাখি থোৱা মানে তইঁতো পাগল।”

ইক্ৰামে এটা অৰ্থপূৰ্ণ হাঁহি মাৰিলে।

## সন্নিধান

প্ৰেমত পৰিছিলোঁ বুলি ঠিক কব নোৱাৰোঁ। মোৰ প্ৰেমতো তেওঁ পৰিছিল বুলি কব নোৱাৰোঁ ; কিন্তু ভাল পায়েই হওক বা মৰম কৰিয়েই হওক তেওঁ মোৰ কাষ চাপিছিল। কাম চপাও ঠিক নহয়, তেওঁ মোৰ কাৰণে কিবাকিবি কৰিছিল। কৃষ্ণ ভূঞাৰ 'বেদনাৰ স্মৃতি' বোলা গল্পটোৱে মোৰ সঘনাই মনত পৰিছিল ; কিন্তু ভাব হৈছিল, কৃষ্ণ ভূঞাই গুপুত কথাৰ তথ্যটোক শেষৰ ফালে লুকাই ৰাখিছিল বুলি। তেতিয়া ঠিক কব পৰা নাছিলোঁ।

মোৰ মনত আছে, হাস্পাতালত সোমোৱাৰ পহিলা নিশাতেই তেওঁ এটা মৰ্ফিয়া দি কৈছিল, "অলপ টোপনি আহিলেহে বেদনা কম পাব। আপুনি টোপনি আনিবলৈ চেষ্টা কৰক।" কথাটো বৰ নিৰস নিৰস লাগিছিল। ডাক্তৰ সকলৰ মুখত আগতে শুনিছিলোঁ বোলে ব্ৰোমাইদে বিশেষ কাম নকৰিলে মৰ্ফিয়াই টোপনি অনাবই। মোৰ ক্ষেত্ৰত কিন্তু সিও নেখাটিল। আঠুৰাখন বাৰে বাৰে দাঙি চিষ্টাৰে চাইছিল—টোপনি আহিছেনে নাই। মাজে মাজে মূৰটো পিটিকি দি মৰম সনা মাতেৰে কৈছিল, "আপুনি ইমানকৈ ভাবিছে কিয় ? মই আছোঁ নহয়, কোনো চিন্তা নকৰিব। মই থাকোতে আপোনাৰ একো নহয়…।" তেওঁ কাষত থকা

সময়খিনিত মোৰ দেহত বেদনা আছিল নে নাই কব পৰা নাছিলোঁ। কাষত তেওঁক পাই বৰ ভাল লাগিছিল। আৰু কৈছিলোঁ, "চিষ্টাৰ, আপুনি মোৰ কাষৰ পৰা নাযাব দেই; মোৰ ভয় লাগে।" আৰু কিবাকিবি কৈছিলোঁ নে নাই ঠিক মনত নাই। কথা বতৰাৰ স্থিৰতা কমি গৈছিল বুলি অনুমান কৰিছিলোঁ। চিষ্টাৰে আৰু এটা মৰ্ফিয়া দিছিল— সেই কথা মনত আছে। টোপনি নহা দেখি মাজে মাজে আহি খবৰ কৰি শুধিছিল, "অলপ পানী খাব নেকি?··· আপুনি গ্লূক'জ মিহলোৱা পানী ভাল পায়নে নেপায়···" ইত্যাদি ইত্যাদি।

তন্দ্ৰা অৱস্থাৰ পৰা কেতিয়া সাৰ পালোঁ কবই নোৱাৰিলোঁ। চিষ্টাৰে মোৰ কাষৰ পৰা কেতিয়া গৈছিল নেজানোঁ। ওচৰৰ গীৰ্জ্জাত কিন্তু ঘণ্টাৰ কোব পৰিছিল তিনিটা। এৰা, ৰাতি পুৱাবলৈ আৰু বহুত বাকী। ডিঙিটো শুকাই গৈছিল। এই সময়ত চিষ্টাৰক সচাঁকৈয়ে আৱশ্যক হৈছিল। "চিষ্টাৰ, পানী ·· ·· ।"

চিষ্টাৰে আন এজন ৰোগীৰ কাৰণে এটা চেলাইন ইনজেকচন সাজু কৰি আছিল। দুজনী নাৰ্চৰ ফুচফুচিয়া কথা কাণত পৰিছিল, "এক নম্বৰ যদি আজি ৰাতিটো বাছি যায় ভয়ৰ কাৰণ নেথাকে।"

চিষ্টাৰে পানী দিবলৈ উধাতু খাই লৰি আহিল। কিবা যেন এটা আতঙ্ক—ঠিক বিচনাৰ পৰা বাগৰি পৰিব ধৰা

পানী কেচুৱাটো পৰোঁ পৰোঁ হওঁতেই মাকে দেখি লৰি অহাৰ দৰেই।

"পানী খাব ?"

"—উঁ।"

হু চামুচমান পানী দিলে।

"এতিয়া বহুত ভাল পাইছে নহয় ? গাৰ বিষো বহুত পাতলিব পায়।"

তেওঁ কোৱা কথাখিনি আচলতে হয়নে নহয় ধৰিব পৰা নাছিলোঁ ; কিন্তু কৈ পেলাইছিলোঁ '—উঁ' বুলি। অথচ অলপ আগতে তেওঁলোকে এক নম্বৰৰ কথাকে কৈছিল। এক নম্বৰ বিছনাত মৰেই।

"আপুনি সচাঁকৈয়ে ভাল হব…।" কিবাকিবি কৈয়েই আছিল। কেতিয়া তেওঁ মোৰ পৰা আঁতৰি আগৰ ৰোগীজনৰ কাষলৈ গৈছিল কব পৰা নাছিলোঁ।

অৱস্থাটোৱে কিন্তু তেওঁক সদায় মোৰ কাষত বিচাৰিছিল। কাষতে বহুৱাই তেওঁক শুধিবলৈ মন গৈছিল, "সচাঁকৈয়ে মই ভাল হমনে চিষ্টাৰ ?" নে মোক সান্ত্বনা দিবলৈ আপুনি… ।" চিষ্টাৰে মোক এৰি আনটো ৰোগীৰ কাষলৈ যোৱাত মোৰ বেজাৰ লাগিছিল। মই যেন সহায়হীন হৈ যাওঁ। কাষত এজন থাকিলেহে মই বেদনা উপশম হোৱা যেন পাওঁ।

সময়বোৰ সমূলি ভাল নেলাগিছিল। ওচৰৰে দুই তিনিজন ৰোগীয়ে সদায় কেকাই আছিল। মোৰ ওচৰলৈ আহি চিষ্টাৰ কোমল হৈ পৰিছিল। তেওঁৰ চকুৰ চাৱনি আৰু মুখৰ মৰমিয়াল হাঁহিটোৱে মোৰ প্ৰতি সহানুভূতিশীল বুলি ইঙ্গিত দিছিল। সেই একে চকুৰ চাৱনি আৰু মুখৰ হাঁহিৰে একে ধৰণেৰে অইন ৰোগীবোৰৰ ওচৰতো সহানুভূতি নিবেদন কৰিছিল নে নাই নাজানো। তথাপিতো তেওঁলৈ মোৰ সিমান ভাল লগা নাছিল।

হট্ ৱাটাৰ বেগটো পিঠিত লাহেকৈ দি চিষ্টাৰে কলে, "এইখিনিতে বেচিকৈ বিষাইছে নহয়। অলপ তাপ পালে বেদনা কমিব।"

সেইখিনিতেই বেচিকৈ বিষাইছিল। বিষৰ যন্ত্ৰণাত কান্দি পেলাইছিলোঁ। মাজে মাজে স্থিৰতা কমি গৈছিল। বুকুৰ ওপৰত যেন কিহবাই হেচা মাৰি ধৰিছিল। বাৰে বাৰে চিষ্টাৰ দুয়োজনীৰ আলচৰ 'এক নম্বৰ যদি আজি ৰাতিটো বাচি যায় ভয়ৰ কাৰণ নেথাকে' বোলা কথাখিনি মনত পৰিছিল। বৰ দুৰ্ব্বল হৈ পৰিছিলোঁ। অতীতৰ বহুত কথা মনৰ মাজেদি বাগৰি গৈছিল। যন্ত্ৰণা বেচি হৈছিল যেন পাইছিলোঁ। সচাঁকৈয়ে চিষ্টাৰ মোৰ প্ৰতি সহানুভূতিশীল নে। চিষ্টাৰৰ প্ৰতি কিবা এটা সন্দেহৰ সৃষ্টি হৈছিল। হেজাৰ হলেও তেওঁ নাৰ্চ-গাভৰু ছোৱালী। মোক কৰাৰ দৰে কিমান হেজাৰজনক মৰম সনা হিয়া যাচিছিল, কিমান ডেকা ডেকা ৰোগীয়েবা তেওঁক

কাষত লবলৈ সুবিধা লৈছিল, কিমান জনে হয়তো তেওঁৰ যৌৱন দীপ্ত লাৱনি দেহটোৰ সোৱাদ লবলৈ প্ৰণয়ৰ ভাষা নিবেদন কৰিছিল; আৰু কিজানি চিষ্টাৰে মোক কৰাৰ দৰে সেইবোৰকো মৰমৰ হিয়াখনিৰ সেৱা দান কৰিছে। হাস্পাতালৰ মই নতুন আলহী চিষ্টাৰে ইয়াৰ আগৰ্তে মোক কাহানিও কতো দেখা নাই। মোৰ ভাৱ হৈছিল—চিষ্টাৰে মোৰ পৰা কিবা এটা বিচাৰিছে; কিজনিবা প্ৰেম, ভালপোৱা। এই পৰিচৰ্য্যাৰ আৰে আৰে কিবা স্বাৰ্থ লুকাই নথকা হলে মোৰ প্ৰতি তেওঁৰ এই মৰমৰ অৱতাৰণা কেনেকৈ হব পাৰে! তেওঁ মুঠেও ভাল নহয়, মোক বিশেষ আলহী হিচাবে শুশ্ৰূষা কৰা নাই; ইয়াৰ আঁৰত কিবা স্বাৰ্থ লুকাই আছে। বেদনাক্লিষ্ট শৰীৰ নোহোৱা হলে মই খোলাখুলিকৈয়েই কৈ দিলোঁ। -হেঁতেন—"তুমি মোব ওচৰলৈ নাহিবা, তুমি মুঠেই ভাল নহয়; মোৰ ডেকা তেজ দেখি তোমাৰ…।"

ৰাতি পুওৱাৰ লগে লগে চিষ্টাৰে আকৌ এবাৰ মোৰ কাষলৈ আহি আঠুৱাখন তুলি দি কলে, "কেনে,—ভাল পাইছে নহয়?" তেওঁৰ মুখ আৰু চকুজুৰিয়ে হাঁহিছিল, নীলা চকুজুৰিয়ে মোৰ ফালে ৰ লাগি চাইয়েই আছিল। তেওঁৰ ফালে চাইছিলোঁ; কোনো উত্তৰ দিয়াৰ আৱশ্যকতা বোধ নকৰিলোঁ।

অলপ পিছতে তেওঁ মোৰ শৰীৰৰ উত্তাপ জুখি 'উত্তাপ তালিকা' খনত লিখি থৈ কলে, "আপুনি এতিয়া থাকক

দেই। মোৰ ডিউটি এতিয়া হৈ গল; আকৌ আবেলিৰ পৰা ··। এয়া মই এপালি দৰব্ব আনিছোঁ, খাওঁক।" চিষ্টাৰক মুঠেই ভাল নেলাগিল; ইমান দৰদ কিহৰ! দৰব্ব পালিও খুৱাই নিদিয়াহেঁতেন!

তুপৰীয়া অপাৰেচন হৈ গল। ক্লোৰোফৰ্মৰ এফেক্ট কিমান পৰলৈ আছিল নেজানোঁ, কিন্তু পূৰাকৈ জ্ঞান ঘূৰাই পাওঁতে সন্ধিয়া প্ৰায় ছয়টা বাজিছিল। চকুহাল মেলি চাইছিলোঁ— চিষ্টাৰে বিচি আছিল।

"—চিষ্টাৰ!"

"এয়া মই আহিছোঁ নহয়, কোনো ভয় নকৰিব। এতিয়া কেনে পাইছে? অলপ বিষাইছে নেকি?···অলপমান গাখাৰ খাব নে কি?"

পিয়াহ নে ভোক অলপ লগা লগা যেন পাইছিলোঁ। বেদনাক্লিষ্ট শৰীৰটোৱে মৃত্যুৰ ক্ষণ গণি গণি পিয়াহক মতা বুলি ভাবিছিল। মনটো একেবাৰে ভাগি গৈছিল।

চিষ্টাৰে পানী বা গাখীৰ কিবা খুৱাইছিল নে নাই কব নোৱাৰোঁ। এবাৰ চকু মেলি তেওঁৰ মুখলৈ চালোঁ—তেওঁ মোৰ ফালে একেৰাহে চাই আছিল। চকু তুটিৰ কোণ তুটিয়েদি নিজৰি নিজৰি ওলোৱা চকুপানী তুটোপাল লাইটৰ পোহৰত জিলমিলাই উঠিছিল। এবাৰ তেওঁ সোধা মনত পৰে, "ইচ্ চ—বৰকৈ বিষাইছে নহয়? নাভাবিব, আপুনি নিশ্চয়

ভাল হব। আপুনি ভাল হব নহয়!!" টোপনি কেতিয়া আহিল কব নোৱাৰোঁ; কিন্তু টোপনি অহালৈকে মই চিষ্টাৰৰ মুখলৈ একেৰাহে চাই আছিলোঁ। ৰাতিৰ ভিতৰত এবাৰ কি দুবাৰ সাৰ পাইছিলোঁ। দেখিছিলোঁ তেওঁ বিচনীৰে বিচি-বিচি মূৰটো পিটিকি দি আছিল।

ৰাতিপুৱা চিষ্টাৰ কেতিয়া গ'ল কব নোৱাৰিলোঁ। দেখিছিলোঁ তেওঁৰ পৰিবৰ্ত্তে আন এজনী নাৰ্চ আহি দৰৱ খুৱাইছিল। ব্যৱহাৰত একো পাৰ্থক্য নাইকিয়া।

দুপৰীয়া অলপ ভাল লাগিছিল। হাস্পাতালৰ কোঠাটোৰ চাৰিওফালে চকু ফুৰাই চাইছিলোঁ। চিষ্টাৰজনীলৈ মনত পৰিছিল তেওঁ নাহিল কিয়! নিজে নিজে একোবাৰ কিন্তু কিবা ভাবো—কিবা এটি দুৰ্ব্বলতাৰ কথা, পুৰুষোচিত আচৰণক বাদ দি এজনী নাৰ্চৰ ওচৰত আত্মসমৰ্পণ কৰাৰ কথা। ভাবি ভাবি কেতিয়াবা তন্দ্ৰা আহিছিল।

—"অলপ ভাল পাইছে নহয় ?"

চকুমেলি চাওঁ—চিষ্টাৰ। কেলেই, চিষ্টাৰৰ ডিউটি গোধূলি-লৈহে! এতিয়া জানো গোধূলি হ'ল! চিষ্টাৰে কিন্তু নাৰ্চৰ পোচাক পিন্ধি অহা নাছিল।

'আপোনাৰ ডিউটি পৰিল ?"

"নাই পৰা। গোধূলিলৈহে। আপোনাৰ খবৰ কৰিবলৈহে

আহিছোঁ। কেনে পাইছে এতিয়া ?”—কঁপালখন অলপ পিছি দি চিষ্টাৰে কলে।

—“অলপ ভাল।”

পিছদিনা বাভিপুৱা দুটা সিজোৱা কণী আৰু অলপ মাখন এটা লবাই দি গৈছিল। কোনে দিছে সুধিলত নকলে। তাৰে পিছদিনাও, তাৰে পিছদিনাও, তাৰে······।

“চিষ্টাৰ আপোনাৰ আচল ঘৰ কত ? ঘৰত কোন কোন আছে ?”

চিষ্টাৰে মোৰ ফালে এবাৰ কেৰাহিকৈ চালে। চকুহালে অলপ অলপ হাঁহিছিল যদিও তাৰ মাজেদি চিষ্টাৰে কিবা এটা লুকুৱাবলৈ চেষ্টা কৰিছিল যেন অনুমান হৈছিল। সিফালে তিনি নম্বৰৰ ৰোগীটোৱে কিবা সুধিছিল। কোনো উত্তৰ নিদিয়াকৈয়ে চিষ্টাৰে তিনি নম্বৰলৈ গুচি গৈছিল। কেবাদিনো চিষ্টাৰক পৰিচয় সুধিছোঁ—নকয়, কিবা অজুহাত দেখুৱাই আন এটা ৰোগীৰ কাষলৈ গুচি যায়। এবাৰ জোৰকৈয়ে ধৰিলোঁ।

চিষ্টাৰে কলে, “মোৰ ঘৰবাৰী নাই,—মই অঘৰী। বন্ধু-বান্ধৱ, জ্ঞাতি-কুটুমৰ মোৰ লেখ নাই। এয়া আপুনিয়ে মোৰ ভাই আৰু বাকীবোৰ···।” হাঁহি হাঁহিয়েই কৈ পেলালে। একো বুজি নেপালোঁ। আচৰিত হৈ সুধিলোঁ।

“—চিষ্টাৰ !”

চিষ্টাৰে-সক গিলাচটোত অলপ দবৰ আনি মুখত বাকি দিলে।

* * *

বহুদিন পিছত। বেদনা পাতি কমি গৈছে। সম্পূৰ্ণ আৰোগ্য নহলেও উঠি লৰি ফুৰিব পৰা হৈছোঁ। নিজে ভাত পানী খাব পাৰিলেও চিষ্টাৰৰ হাতেৰে খাবলৈ মন যায়—খোৱাৰ তৃপ্তিৰ কাৰণে নহয়, মনৰ তৃপ্তিৰ কাৰণে। চিষ্টাৰেও খুৱাই দিয়ে ; কিন্তু তাৰ মাজতে কিবা এটি আওহেলা পৰিলক্ষিত হয়। সহায়বোৰ একেৰকমে আছে, সহানুভূতিবোৰ যেন কমি গৈছে।

কোঠাটোলৈ নতুন ৰোগী আহিছে—গৈছে। এক নম্বৰ বিচনাত ময়েই এতিয়া পুৰণি ৰোগী। চিষ্টাৰৰ সেই বন্ধুতাও যেন আতঁৰি যাব ধৰিছে। এমোকোৰা হাঁহি পাগুলি পাগুলি তেওঁ কোৱা কথাবোৰত কিবা এটা কৃত্ৰিমতা ফুটি উঠে। মোৰ মনটো ভাগি যায়। চিষ্টাৰৰ ওপৰত মোৰ সন্দেহ হয়—সঁচাকৈয়ে চিষ্টাৰে মোৰ চকুলৈ ভুৱা দৃশ্য প্ৰদৰ্শন কৰি আছে নেকি !

দুই নম্বৰ বিচনালৈ আজি এজন নতুন ৰোগী আহে। বেচেৰাই যন্ত্ৰণাত জ্ঞান হেৰুৱাইছিল, তাৰ নাকেদি কিবা ৰকমৰ শব্দবোৰ ওলাইছিল। ডাক্তৰে অলপ আগতে চিষ্টাৰক কৈ যোৱা শুনিছিলোঁ, এটা কোৰামিন দি চাওক, যদি পালচ ঠিক নহয়, আশা কম। অন্য উপায় নাই। ৰোগীৰ অৱস্থা চিৰিয়াচ।”

চিষ্টাৰে বৰকৈ ব্যস্ত হৈ পৰিছিল। মই লক্ষ্য কৰিছিলোঁ, প্ৰথম

অৱস্থাত তেওঁ মোক যেনেদৰে মৰম চেনেহ যাচিছিল, সেই একে মৰম চেনেহ এই নতুন ৰোগীজনকো যাচিছে। অলপো পাৰ্থক্য নাই। মানুহজনলৈ চাই চাই চিষ্টাৰৰ চকুপানী ওলোৱা মোৰ চকুত পৰিছিল। তেনেহলে চিষ্টাৰে মোক স্নুকীয়াকৈ মৰম যচা নাছিল। নতুন আলহীজন আহিবৰে পৰা তেওঁ মোৰ ফালে মাত্ৰ এবাৰ ঘুৰাবহে চাইছিল আৰু মাত্ৰ অলপ অলপহে সহায় কৰিছিল। সেইবোৰ কামৰ মাজতে অলপ সময় উলিয়াই ইবিধ সিবিধ কৰি দিছিল। সিও আছিল লৰালৰিকৈ। মোৰ কামখিনি কৰিয়েই কাষত থকা নাছিল, নতুন ৰোগীজনৰ কাষলৈ লৰি গৈছিল। তেওঁলৈ মোৰ সন্দেহ বাঢ়ি যায়। তেনেহলে কৃষ্ণ ভূএগৰ তথ্যই সঁচা নেকি?

"চিষ্টাৰ, পানী গিলাচ আগবঢ়াই দিব পাৰিব?"—তেওঁৰ মনৰ বুজ লবলৈকেই সুধি পেলালোঁ। চিষ্টাৰে নতুন আলহীৰ শুশ্ৰূষাত বৰকৈ ব্যস্ত আছিল আৰু মাজে মাজে নাড়ীজ্ঞান কৰি আছিল। তথাপিতো উত্তৰ স্বৰূপে ক্ষমা বিচৰাৰ সুৰত অলপ হাঁহি মিহলাই কলে, "এখেতৰ অৱস্থা এতিয়া বৰ বেয়া। কৰ নোৱাৰোঁ কি হয়; মই এৰিব নোৱাৰা হৈছোঁ। বেয়া নেপাব দেই! যি পাৰে নিজেই সহায় কৰক। আপুনি এতিয়া নিজকে নিজে সহায় কৰিব পৰা হৈছে।"

"—তাৰ মানে?" খং উঠিছিল তেওঁৰ ওপৰত। মোক যেন তেওঁ প্ৰৱঞ্চনা কৰিলে। চিষ্টাৰৰ ওপৰত মোৰ যেন কিবা এটা অধিকাৰ হৈছিল, সেই অধিকাৰৰ পৰা তেওঁ আতঁৰি গৈ লোকৰ

ওচৰত অধিকাৰৰ দাবী নিবেদন কৰাইছে। তথাপিতো কলোঁ, "মোক কিবা বেজাৰ পাইছে ?"

"বেজাৰ ? আমি কাকো বেজাৰ নেপাওঁ। সকলো আমাৰ বন্ধু। এখেতৰ এতিয়া টান নৰিয়া—আজি এখেত মোৰ ডাঙৰ বন্ধু আপুনি এদিন এনে বন্ধু আছিল ···আমি নৰিযাকহে সেৱা কৰোঁ—এজনৰ ভাল বা বেযা পোৱাক নহয় ভুল বুবুজিব আকৌ !"

চিষ্টাৰৰ উত্তৰত হতাশ হৈছিলোঁ। মনটো কেনেবা কেনেবা লাগিছিল। কৃষ্ণ ভূএগৰ 'বেদনাৰ স্মৃতি'লৈ সঘনাই মনত পৰিছিল। 'হেৰা বন্ধু, সঁচাকৈয়ে তুমি জয়ী হৈছা। নাৰ্চৰ সেৱাকামৰ মাজতহে বিশ্বজনীনতা আছে। নৰকত পৰি মৰিব খোজা মানুহৰ ত্ৰাণকৰ্ত্তা এই নাৰ্চবোৰ দেৱী নে মানৱী !

মূৰটো গাৰুৰ ওপৰত থৈ ওপৰৰ আতলখনিলৈ চাই চাই কিবা কিবি ভাবিয়েই আছিলোঁ।

ধূলিবোৰ উৰি যায়। টিকা ফটা ৰদৰ তাপত পানী লাগি 'বোকা হৈ থকা ধূলিবোৰে আকৌ ধূলি হবলৈ সুবিধা পায়। দুদিন আগতে নতুন কঠিয়া সিচিবলৈ মাটিখিনি বোকাই লোৱা হৈছিল—শুকাই গল, শালিতলী মাটিৰ জাবৰ জোথৰবোৰ গুচাই লোৱা হৈছিল মাথোন—মৰ পানী এটুপিও নাইকিয়া হল। মাটিত ফাঁট মেলিলে * * * ৰদ, ৰদ—ৰদ। বাজআলিৰ দাতিৰ কৰচজুপিৰ তলতে বহি পৰিল ৰংমন। গোটেই গাটো ঘামেৰে তিতি গৈছে, আন দিনাৰ দৰে আজি যেনিবা গাত বোকা নাই।

পথাৰৰ মাটিবোৰ টান হৈ গৈছে। গৰুহালে যে আজি কিমান কষ্ট নেপাইছে। টান মৰা মাটিত ভৰিৰ খুৰাবোৰ সোমাই যোৱাৰ পিছত জোৰকৈ উলিয়াই আনি খোজ কাঢ়ি কাঢ়ি বেচেৰাহঁতে যে কিমান দুখ পাইছে! মাতি কথা কব পৰা হলে হয়তো কলেহেতেন, "এই ৰদত মিছাকৈ আমাৰ দেহকিটা নেমাৰিবা আমি মৰিবলৈকেহে বাকী" এনেকৈ যদি আৰু চাৰিটা দিনো ফেটমৰা ৰদ দিয়ে এই বছৰো খেতিৰ ফালে আধ্যা লাগিব। কঠিয়াতলীত বহাগ-জেঠতে পেলাই লোৱা কঠিয়াবোৰ শুকাই খেৰ হৈ যাব, নতুন কঠিয়া পাৰিৰ পৰা নহব (পিছলৈ পাৰিলেও ধানবোৰা বত্তৰ নেথাকিব), —কিমান দিন যে হালখতি কৰিব লাগিব! বানপানী আহি ধুৱাই লৈ গল, তেতিয়া পানী নেলাগেহে নেলাগে। এতিয়া আকৌ

দেখিবলৈকো পানী এটুপি নাই (দিনবোৰ আগুৱাই যায়—শাওন-ভাদ দুটি মাহ গলে লেঠাই চিগিল)। ৰংমনৰ নাঙল-খনিতো আজি বোকা অলপ লাগি অহা নাই। আনদিনাৰ দৰে হাল মেলি দিয়েই গৰুহালৰ গা আৰু নাঙলখনি ধুৱাত সি আজি মুঠেই ব্যস্ত হব নেলাগিল। পথাৰতো সি আজি অলপ বেলিহে কাম কৰিবলৈ পালে—বেলি মূৰৰ ওপৰ আহি নেপালেই।

পানী নাই, কেৱল তাৰ ডবা মাটিতেই নহয—সেই পথাৰতে পানী নাই। সিয়েই কেৱল নহয়, সেই পথাৰৰ 'চৰ মানুহে' হাল এৰি দি গৈছে। বোৱনিবোৰ আজি ফিৰি গৈছে, বহুতৰে কৰলৈকে তোলা কঠিয়া শুকাই খেৰ হৈ গৈছে। বৰুণ' দেৱতাই বৰষুণ দিয়ে বুলি আজি চাৰি-পাঁচদিন গাওঁবোৰত ভেকুলী বিয়া চলিছে—বৰষুণ নাই, পানী নাই।

কৰ্কালৰ পৰা চিলিমটো উলিয়াই ফটা কানিৰ টোপোলাত থকা মলাধপাত অলপ লয়। কাষতে থকা জুমুঠিৰ জুইকুৰা কিন্তু উমি উমি জ্বলি থাকে—বদৰ তাপবোৰে যেন জুমুঠিটিকহে কেৱল আনন্দ দিব পাৰিছে; এটা ফু মাৰি দিলেই জ্বলি উঠিব।

জুমুঠিৰ জুইৰে লগোৱা ধপাত চিলিম সি হুপিবলৈ লয়। ধোঁৱাবোৰেও যেন তাৰ ভিতৰলৈ তপত বতাহকে লৈ গৈছে…।

"নেযাৱনে ককাই? পথাৰত দেখোন পানীয়েই নাই; ইয়াত বহি বহি কি কৰিছ"—পিতাকৰ কাৰণে পথাৰলৈ জলপান নি

উভতি অহা ৰতনীজনীয়ে সোধে। সি তাইলৈ চায়—তাইও ফিৰি আহিছে, পানী থাকিলে নাহিলহেতেন। পিতাকক জলপান খাবলৈ দিয়েই তাই ভুঁই বোৱাত ব্যস্ত থাকিলহেতেন। পিতাকেও হালে-গৰুৱে ভুঁইতলীতে থিয় কৰি থৈ জলপান খালেহেতেন আৰু খোৱা শেষ কৰি বাটিটো ভুঁই পথাৰত থকা পানীৰে ধুলেহেতেন।

তাইলৈ সি আকৌ চায়, চাই তাৰ ভাল লাগে। চকুৰ আগতে ৰতনীজনী ডাঙৰ হৈছে। তাই ঘৰৰ কি কাম নকৰে বাৰু! কাম কৰি কৰি ভাগৰি পৰা সময়তে ৰঙা পৰি উঠা গাল মুখ আৰু চেহেৰাটো কেবাদিনো সি দেখা পাইছে। তাইলৈ চাই তাৰ আমনি নেলাগে। সদায় পথাৰত দেখে—কেতিয়াবা ঘৰতো। পথাৰত পানী থাকিলে আজিও তাই বেচি ৰঙা পৰিলহেতেন। দেখিবলৈ আৰু ধুনীয়া হলহেতেন, কঁপালৰ ঘামবোৰ দুগাল আৰু কাণৰ কষেদি বৈ গলহেতেন .. । ৰংমনৰ পিতাক মৰা আজি দুবছৰ হল। মৰাৰ আগতেই হেনো ৰতনীক তাৰ কাৰণে ধৰিম বুলি মনস্থ কৰিছিল—বেচেৰাই পুতেকৰ বিয়াখনি পাতিবলৈ নেপালে। ৰংমনৰ বুঢ়ী মাকজনীয়ে তাৰ এই আৰ্থিক অৱস্থাৰ মাজত বিয়াৰ কথা ভাবিব পৰা নাইকিয়া। লোকে কেতিয়াবা তাৰ বিয়াৰ কথা উলিয়ায়, শুনিয়েই তাৰ ভাল লাগে। ৰতনীয়েও তাক নিজৰ ককায়েকৰ দৰেই মাত কথা কৰি আছে—বিয়া হৈ গলে হয়তো কথা-বতৰাবোৰ বেলেগ ধৰণেৰে হলহেতেন

এইবেলি খেতিত ভাল ধান হলে তাৰ মাক আৰু দদায়েকে নিশ্চয় তাঁৰ বিয়াখনি পাতিলেহেতেন, এনে বতৰত খেতিয়েইবা হয় কেনেকৈ—পানী নাই। এবা দণ্ডৰ পানী পালেও খেতি কৰিব পৰা আশা এটা আছিল···।

“জলপান খুৱাবলৈ পালি নে নাই অ’ ৰতনী? চাও আছে যদি তামোল এখন দে।”

ৰতনীয়েও কৰচজোপাৰ তল চাপে। জলপানৰ বাটিটো মাটিতে থৈ কৰ্কালৰ মেথনিত বান্ধি অনা তামোলৰ গাঠিটো খুলি খুলি কয়, “জলপান গৈ নৌপাওঁতেই পিতাই হাল এৰি দি হেনো সিটো আলিৰে ঘৰলৈ গৈছে। পানী নোহোৱা পথাৰত থাকিযেইবা কি হব ·· ·।”

মেথনিত থোৱা তামোল খুলিবলৈ লোৱা সময়খিনিতে তাইৰ সৰু কৰ্কালখনিলৈ ৰংমনৰ চকু পৰে; উঠি অহা বুকুখনি, ফটা গামোচাৰে বান্ধি থোৱা খোপাটি···। গোটেই অৱয়বটি পূৰ্ণৰূপে চোৱাৰ সুবিধাটো সি এৰি নিদিয়ে। এবা, ৰতনীজনী সঁচাকৈয়ে ধুনীয়া। তাৰ পিতাক নমৰা হলে হয়তো ৰতনীক সি পালেহেতেন।

তাইৰ মেখেলাখনিলৈ তাৰ চকু যায়। মলিয়ন মেখেলাখনিয়ে তাইৰ যৌৱনটিক কিন্তু মলিয়ন কৰি ৰাখিব পৰা নাইকিয়া। উঠন বুকুৰ পৰা বান্ধি লোৱা মেখেলাখনিয়ে যেনিবা তাইৰ বুকুৰ ওপৰৰ ফালটো আৱৰিব নোৱাৰিলে। মেখেলাখনি ফটা; নিপিন্ধিলে নহয় দেখিহে পিন্ধিছে। গলৰ মণিধাৰ ৰঙা; কম দামৰ হলেও

তাইক বেচ শুৱাইছে। পিতলৰ জামথি মণিকেইটা অৱশ্যে ক'লা পৰিছে; সোণৰ হলে হয়তো ক'লা নপৰিলহেতেন। যোৱা বছৰো এনে সময়তে পথাৰত পানী নাছিল, ৰতনীৰ পিতাকেও পানীৰ আকালত খেতি কৰিব নোৱাৰিলে। দিন হাজিৰা 'কামলা' কৰিহে বছৰটি চলালে। ঘৰৰ একেজনী ছোৱালী বুলি ছুপইচা চাৰি পইচাকৈ সাচি কিমান দিনৰ মূৰত কোনোবা এটা বিহুত বুঢাই তাইক এই পিতলৰ মণি কেইটা দিছিল। মাণিক মৌজাদাৰৰ ঘৰৰ ছোৱালী কেজনীনো ৰতনীতকৈ কিমান ধুনীয়া? চুচি মাগি, গোন্ধতেল, দামী কাপোৰ পিন্ধি উৰি থাকে বুলিহে! তেওঁলোকৰ বাবে ৰংমনহঁতৰ পথাৰত পানী নহলেও কোনো কথা নাই। ওপৰেদি দণ্ডৰ পানী বাগৰি থকা মাটি কিমান যে আছে তেওঁলোকৰ! এখন পথাৰত খেতি নহলেও তেওঁলোকৰ কোনো হানি নহয়। মৌজাদাৰৰ ছোৱালীয়ে চুচি-মাগি পিন্ধি উৰি ভালকৈ নেথাকি ৰতনীয়ে থাকিব নে!! আৰু বেলি ঠিকামাটিৰ ধানখিনি দিবলৈ গৈ ৰংমনে মৌজাদাৰৰ চোতাল পাবহে পালে; মৌজাদাৰনীয়ে গমৃগমাই আহিল নহয়—ঠিকাৰ ধান কমকৈ পোৱা বুলি। পথাৰত পানীৰ ব্যৱস্থাৰ কথা ৰংমনে কব বুলি ভাবিছিল —নকলে মৌজাদাৰেতো নিজেই জানে বুলি। × × × ভাৱনাই তাক বহুদূৰলৈ লৈ যায়।

"হ'…তামোলখনি ল। পানখিনি চূণেৰে লেতেৰা পেতেৰা হৈ আছে—চাবি।"

তাই তামোলখনি আগবঢ়াই দিয়ে; সি হাত পাতি লয়।

"কুকাই মই যাওঁ দেই। ইমান পৰে পিতাই ঘৰ পাবগৈ পায়। গৰুহাঁলিক দানা-পানী খুৱাই পথাৰলৈ মেলি দিব লাগিব। পিতাইও আজি হেনো 'টাউন'লৈ যাব লাগিব।"

ৰংমন যেন জাপ মাৰি উঠিল—'টাউন'লৈ যাব, টাউনবা আকৌ কিমান ডাঙৰ, মটৰে গাড়ীয়ে···।

"টাউনলৈ কিয় যায় অ' ৰত্নী?"

'দিপুটি কমিচন'ত বোলে আমাৰ 'মকদ্দমা' আছে। 'মকদ্দমা' পিছে কাইলৈহে' আজিয়ে হেনো যাব লাগিব ..সিদিনা পিয়াদা এজন আহি কিবা 'লোটিচ কাগজ' দি গৈছে।"

তাই যায়—ৰংমনৰ মনলৈ নতুন ভাব এটি সোমাই আহে। মোকদ্দমা — আদালত—হাকিম। তাৰ পিতাকেও এবাৰ মোকৰ্দ্দমাত পৰি নিজৰ ভুঁই মাটিখিনি বেচিব লগা হল। 'ৰজাৰ কৰ সোধাব নোৱাৰা মোকৰ্দ্দমাত পৰি তৰি, দদায়েকৰ মাটি সোপা 'ইলামত' গল। মোকৰ্দ্দমা—আদালত ··। কেদিনমান আগতেই সি শুনিছিল—ৰত্নীহঁতৰ বস্তি মাটিখিনি হৰনাথ পণ্ডিতে তেওঁৰ বুলি কৈ সিহঁতক হেনো উঠি যাবলৈ কৈছিল। তিনি বছৰ আগৰ কথা: পুতেকৰ টান নৰিয়া। 'তিকিচ্ছা' কৰিবলৈ টকা নাই। টকাৰ কাৰণে বুঢ়াই অৱশেষত পণ্ডিতৰ তাত মাটিখিনিকে বন্ধক থলে—চাৰি -কুৰি টকাত, 'তিকিচ্ছা' ভালকৈ নকৰিলে লৰা ভাল নহ্বই···। টকা সোধাব নোৱাৰাত বন্ধকী চুক্তি মতে মাটিখিনি পণ্ডিতে দাবী কৰিছে নিশ্চয়। মাটিচোন যাওকেই: বেচেৰাই পুতেককো যদি

ৰচাৰ পাৰিলেহেতেন। শিশুৰাম বেজৰ হতুৱাই কিমান পূজা-পাটল দিয়ালে, কিমান জাপ আলনীয়া বান্ধিলে—কামত নাহিল। শেহত 'কলিকাত্তা পাছ' কৰি অহা 'চেটাৰ্জ্জী-ডাক্তৰ বাবু'ৰ বেজীতো ভাল নহল।চাৰিকুৰিকৈ টকা পানী কৰিলে।এতিয়া পণ্ডিতে নিশ্চয় উঠিযোৱা মকদ্দমা' কৰিছে। বেচেৰা বুঢাটোৰ এই তিনি কাল গৈ একাল পোৱাতনো এইবোৰ কি লেঠাই পায়হি। পণ্ডিতে মাটিখিনি লৈ গলে ইহঁত থাকিবইবা ক'ত। সিদিনা বুঢাই কৈছে সেইখিনি মাটিৰেই হেনো দুবছৰৰ খাজানা বাকী। এই বেলি পথাৰত ভালকৈ পানী দুনি পালে খেতি কৰি পোৱা ধানেৰে নিজে নেখাইও পণ্ডিতৰ ধাৰ আৰু মাটিৰ খাজানা দিবলৈ বুলি ভৰা কথা কৈছিল। পথাৰতো পানী নাই—মজিয়াৰ মাটিখিনিও যায় এতিয়া ।

ৰাজ আলিয়েদি ভোঁত্ কৰে যায় এখন মটৰ গাড়ী; আলিৰ ধূলিবোৰ উৰি যায়—চাৰিও ফালে বিয়পি পৰে। এচাটি ভপত বতাহে গাটো তাৰ পুৰি নিয়ে যেন। বদৰ কোবত এই ধূলিবোৰো কোন চৰি গৈছে। এজাক ডাঙৰ বৰষুণ গলেই 'চৰ ঠাণ্ডা' হৈ গলহেতেন। আলিৰ কাষৰ বনবোৰ ধূলিৰে ভৰি পৰিছে, দাঁতিৰ ওখ গছবোৰৰ সেউজীয়া পাতবোৰ বগা ধূলিৰে মাৰ গৈ পাত-বোৰক বগা কৰি পেলাইছে—বতাহতো ধূলিবোৰ সৰি পৰা নাই।

পথাৰলৈ তাৰ আকৌ চকু যায়—কতো পানী এটুপি নাই। এবছৰ আগতে সিহঁতৰ বাইজে সেইখন পথাৰত পানীৰ দং এটা

লাগে বুলি দৰ্খাস্ত কৰি দং এটা পাইছিল বুলি সি শুনিছিল। মহেশ্বৰ ৰায়চাহেব, পীতাম্বৰ মণ্ডল আৰু শ্ৰীকান্ত মৌজাদাৰৰ মাটিবোৰ চিৰদিন পানী থকা পথাৰত হোৱা স্বত্বেও বুধি কৰি তেওঁলোকেহে দংটো সিখন পথাৰেৰে লৈ গল। বংম্নৰ্হ্নতৰ পথাৰেদি দংটো অহা হলে পানী সিচি মিলিও খেতি কৰিব পাৰিলেহেতেন। আধি আৰু ঠিকা মাটিৰ গিৰিহঁতেতো নেজানে তেওলোকৰ মাটিত কিমান পানী ·। বংমনে আধি মাটিখিনিলৈ আকৌ এবাৰ চাই পঠিযায ; এটা হুমুনিযাহ এৰি দিয়ে × × পানী নাই—পথাৰতে পানী নাই—নাই। কান্ধত নাঙলখনি তুলি লয, ৰাতিপুৱাতে আশা এটা লৈ অহা মুখখনি তাৰ শেঁতা পৰে—পানী নাই। টিকাফটা ৰদৰ চোকা ৰেওনিবোৰ আগুৰিবলৈ জাপিটো আকৌ মূৰত পিন্ধি ৰাজ আলিৰ ওপৰেদি খোজ লয। ভৰিৰ খোজত ধূলিবোৰ উৰি পৰে—ধূলি—ধূলি, পানী নাই, পানী নাই—আধি মাটিত ধূলি।

## লতিকা—তাইৰ সাধু

এই মাত্ৰ ৰৰষুণ জাক এৰিছে। সিকোঠাৰ খিৰিকিখন আধাঁমেলা হৈ আছিল, তাৰে পোহৰবোৰ বাহিৰৰ পৰা সোমোৱা নাছিল। এচাতি চেঁচা বতাহ বাহিৰত বলিয়েই আছিল। আৰু তাৰে এচাটি বতাহ কোঠাত সোমাইছিলগৈ। সেমেকা বতৰটোৰ বতাহখিনি সঁচাকৈয়ে মধুৰ আছিল। ডেকাজনৰ বুকুৰ মাজত নিজকে এৰি দি লতিকাই নিজকে পাহৰি আছিল। এজন তেজাল সুঠাম ডেকা, এজনী জীয়া গাভৰু, এটা বহুদিনীয়া তীব্ৰ উদ্দীপনাৰ দৈহিক ভৰষা পূৰণৰ ক্ষণ। বহুদিনৰ, বহুকালৰ হয়তোবা জীৱনৰ সাধনা পূৰণৰ ক্ষণ। লতিকাই এন্ধাৰৰ মাজতে ডেকাজনৰ স্বৰূপ দেখা পাইছিল। বিপৰীত হৃদয়ৰ স্পন্দনবোৰত তাইৰ অন্তৰখনে এটি সঙ্গীত শুনিছিল। আন্তৰিক প্ৰেৰণাৰ আৱেগত আনন্দৰ হিল্লোল তোলা চিঞৰ এটি তাইৰ মুখেৰে ওলাই আহিব খুজিছিল। তাইৰ আউলী বাউলী চুলিবোৰে এডালি দুডালি হৈ আগুৰি পেলাইছিল ডেকাজনৰ মুখমণ্ডল। উঃ কিমান ভাল লগা সন্ধিয়াটো!

লতিকাৰ কেতিয়া টোপনি আহিছিল তাই নেজানে। টোপনি ৰোৱালৈকে সিহঁতে সাৱতা-সাৱতিকৈয়ে আছিল। হঠাতে বাহিৰৰ পৰা দুৱাৰত টুকুৰিওৱা শব্দ এটা শুনি তাইৰ গাটো জিকাৰ খাই উঠিল। তাইৰ চকুহাল মেল খালে। সাৱত

মাৰি ধৰি থকা হাত দুখনি তাইৰ আপোনা আপুনি স্নুলকি আহিল। তাই আকৌ এবাৰ শুনিলে দুৱাৰত কোনোবাই টুকুৰিয়াইছে। তাইৰ বুজিবলৈ বাকী নেথাকিল—সেইজন তাইৰে গিৰিয়েক—বুঢ়া গিৰিয়েক। এটা কাহ শুনিলে, এবাৰ কোৱা শুনিলে, "হেৰা দুৱাৰখন খুলি দিয়া। ইমান সোনকালেই সন্মুখৰ দুৱাৰ বন্ধ কৰিলানে?" তাইৰ বুকুখন চিৰিংকৈ উঠিল। কিবা এটা ভয়, কিবা এটা আতঙ্ক। ডেকাজনক এৰি তাই কেতিয়া উঠি বহিল কবই নোৱাৰিলে। সুস্থিৰ হবলৈ লতিকাক অলপ সময় লাগিছিল। এইখিনি পৰতে কোঠালীৰ এন্ধাৰৰ ফাঁকেদি তাই ডেকাজনলৈ এবাৰ চাই পঠিয়ালে। তাই যেন দেখা পালে—এজন পুৰুষ—তাত আছে সকলো কামনা বাসনাক তৃপ্ত কৰিব পৰা এটি ভৰাল, আৰু বাহিৰত আছে এজন মানুহ—স্বামী হলেও অকামনীয়, জীৱনটোৰ অৰ্থবোধক ব্যৰ্থ কৰি দিব খোজা এটা প্ৰেতৰ মানৱীয় মূৰ্ত্তি। ভিতৰত এখন ৰসাল পৃথিৱীৰ সৰস কামনাৰ শান্ত, স্নিগ্ধ জোনৰ পোহৰ আৰু এনেফালে দুৱাৰৰ বাহিৰত অন্তৰাত্মাক পুৰি জঠৰ কৰি, চেতনাৰ বিলুপ্তি সাধন কৰিবলৈ খাওঁ খাওঁকৈ এন্ধাৰৰ মাজত লুকাই থকা এটি ডকাইত।

নিজৰ গাৰ অসংযত কানি কাপোৰবোৰ ভালকৈ লবলৈ পৰ্য্যন্ত লতিকাই পাহৰিলে। ডালেয়া খোপাটিৰ পৰা স্নুলকি গালে মুখে এডালি দুডালিকৈ সিচৰতি হৈ পৰা চুলিবোৰ যেনেকৈ আছিল তেনেকৈয়ে থাকিল। তাইৰ মনৰ মাজেদি বহুত কথা বাগৰি যাবলৈ ধৰিলে।

* * * *

'লতিকা তেতিয়া তিনিবছৰীয়া ছোৱালী। পিতাক ডেৰকুৰি বছৰীয়া যুৱক, ককায়েক পাঁচ বছৰীয়া। সিহঁতেই ঘৰৰ লৰা ছোৱালী। লতিকাই ককায়েক আৰু পিতাকৰ লগত খেলে। ককায়েকৰ লগত যুঁজি ভাল পায়, পিতাকৰ বুকুৰ মাজত আলফুলকৈ তাই সোমাই পৰে। বুঢ়া ককাদেউতাককো তাই পাইছিল। লতিকাই তেনেকৈয়ে পাইছিল পুৰুষৰ সান্নিধ্য। ককায়েকৰ লগত খেলি আৰু পিতাকৰ বুকুৰ মাজত তাই এটা নুবুজা প্ৰেৰণা পাইছিল—লতিকাই এতিয়াও অনুমান কৰে। পিতাকৰ বুকুৰ উমটোৱে তাইক বুঢা ককাদেউতাকৰ শুকান দেহৰ মৰমতকৈও বেছি তৃপ্তি দিছিল। লাহে লাহে বয়সবোৰে লতিকাৰ গাত কিশোৰ তেজ সুমুৱাই দিলে। ককায়েকো যৌৱনৰ দুৱাৰ দলিত। তাইৰ প্ৰেৰণা বাঢি গল। লতিকাৰ মনৰ মাজেদি চিৰিং চিৰিংকৈ বিজুলীৰ টৌবোৰৰ দৰে বাগৰি থাকে এজন পুৰুষ—সুন্দৰ, সুঠাম—ঠিক পিতাকৰ দৰে। তাইৰ কল্পনাই বিচাৰি নেপাইছিল সেইজন কোন, কত আছে। তাই মাত্ৰ বুজে, তাই কিবা এটা শৰীৰৰ লগত লগ হৈ আছে। কাবোবাৰ জীয়া সান্নিধ্য এটা নিচেই ওচৰ চাপি আহিবলৈ ধৰিছে। নতুন সান্নিধ্যটো কেনে ধৰণৰ হব তাই বুজি নেপায়; কিন্তু তাইৰ মনৰ মাজত এনেয়ে খেলা কৰি থাকে এজন সুঠাম, বলৱন্ত পুৰুষে। দিনবোৰ গৈয়েই থাকে।

কেইবছৰমানৰ পিছত এদিন পিতাক ঢুকাল আৰু তাৰে

কেইদিনমান পিছত ককায়েকো। লতিকা তেতিয়া হাইস্কুলৰ ছাত্ৰী। যৌৱনক তাই ভালকৈয়ে পাইছে। নিজৰ বোলা সংসাৰখনিত কেৱল তাই আৰু মাক, তাৰ পাছফালে আছে এখন সমাজ। অন্তৰত সঙ্কোচ ভাৱ ৰাখিয়েই বাহিৰৃত ফুৰা চকা কৰিছিল তাই। গিৰিয়েক আৰু পুতেকক হেৰুৱাই লতিকাৰ মাক শুকাই খীণাই গৈছিল। তথাপি সংসাৰ বুলিবলৈ তেওঁ তেতিয়াও জীয়েকক পাইছিল, সেয়ে আছিল তেওঁৰ জীৱনৰ সান্ত্বনা। লতিকাইও মাকৰ দুশ্চিন্তাবোৰৰ বহুখিনি কমাই ৰাখিবলৈ চেষ্টা কৰিছিল। দোপতদোপে বাঢ়ি অহা ছোৱালীৰ শত্ৰু বেচি, লতিকাক কৰবাত গাঠি দিব পাৰিলেই ৰক্ষা, এই মনোভাৱ মাকৰ। লতিকাই কব নোৱাৰাকৈয়ে যেন এটা ডাঙৰ বান্ধত সোমাই গল। মুকলি-মুৰিয়া সংসাৰখন যেন চেপা খাই চেপেটা হৈ পৰিল। এটা যেন বিৰাট শূন্য। তথাপি সেই শূন্যৰ মাজতো যেন তাইৰ কাৰণে কিবা এটা লুকাই আছে। জগতখনিৰ অটাইবোৰ বস্তু তাইৰ ভাল নেলাগে। সকলোবোৰ মানুহকে ঠিক আপোন আপোন যেন নেলাগে। তাইৰ নিজৰ ভিতৰত লুকাই থকা মানুহজনক বিচাৰি হাবাথুৰি খায়।

বহুত মানুহ সিহঁতৰ ঘৰলৈ আহে। বহুতে বহুত কথা আলচ কৰে, হয়তো বহুতে বহুত সুযোগ বিচাৰে। লতিকাৰ সেইবোৰ কথা অকণো ভাল নেলাগে। গাওঁ-কুচলীয়াই কথা ৰটনা কৰে—তাইৰ যুৱতী দেহৰ ওপৰত অসৎ প্ৰবৃত্তিযে

প্রশ্রয় পোৱা বুলি। মিছা কথাবোৰে লতিকাক লেৰ্জাৰ লগায়। শেষত নিৰুপায় হৈ মাকে লতিকাক লৈ মৌজাদাৰ ককায়েকৰ ঘৰলৈ গুচি যায়।

লতিকাৰ মাকৰ দিনে ৰাতিয়ে চিন্তা—জীয়েকক কৰবাত বিয়া দিব পাৰিলেই তেওঁ যেন মুক্তি পায়। লোকৰ কথাবোৰে তেওঁক অস্থিৰ কৰি তোলে। লতিকাই মাকৰ এইবোৰ কথা বুজি পায়। তথাপি তাইৰ ধৈৰ্য্য আছে—মৌজাদাৰ মোমায়েক এতিয়া আছে তাইৰ কথা ভাবিবলৈ।

ধৰণীধৰ মৌজাদাৰৰ ঘৰত কিছুদিন যেনিবা ভালে ভালেই গল। লতিকাই আগৰ দৰেই ৰাংঢালী হৈ পৰিব পাৰিছিল। মৌজাদাৰৰ পৰিয়ালৰ লগত যেনেকৈ আপোন হৈ পৰিছিল, ঠিক তেনেকৈয়ে তাই তেওঁলোকৰ চাকৰ-নাকৰ, মহৰী-পিয়াদা আদিকো সমান ভাৱেই মৰম চেনেহ যাচিছিল। জগতত কাৰো প্ৰতি লতিকাৰ সন্দেহ কৰিবলৈ নাই; তাইৰ শৰীৰত সুপ্তাৱস্থাত থকা পুৰুষজনৰ বাহিৰে জগতৰ বাকীবোৰ তাইৰ ভাই ভনী জ্ঞাতি কুটুম। এই বিষয়ত তাইৰ সজাগ হবলৈ কিটো আছে! লতিকাৰ মাক কিন্তু অতি সাৱধান। তেওঁৰ চকু প্ৰতি মুহূৰ্ত্ততে—জানোচা জীয়েকে কৰবাত কেনেবাকৈ পিচলি পৰে—জানোচা লতিকাৰ ওপৰত সমাজৰ কিবা অপবাদ পৰি যায়।

কিছুদিন পাৰ হৈ যায়। এদিন লতিকাই লক্ষ্য কৰিলে

মৌজাদাৰৰ মহৰী সন্তোৰামে তাইৰ ফালে একেধ্যানে চাই আছে। হঠাতে চকুৱে চকুৱে পৰাত তাই লাজতে তলমূৰা হৈছিল আৰু কিবা এটি ভয়ত তাই লাহেকৈ ঘৰত সোমাইছিলগৈ। তাই নিজাকৈ এবাৰ ভাবি চাইছিল—তাইৰ ভিতৰত সন্তোৰামৰ স্থান কণো অলপো নাই। ভয়তে কঁপি উঠা বুকুখনিয়ে এবাৰ সহাৰি দিলে—লতিকা এতিয়া সাৱধান হবৰ হৈছে।

আন এদিনাখন দুপৰীয়া—কোঠাত বহি লতিকাই কিবা এখন লিখি আছিল। সিদিনা ঘৰত তায়েই কেৱল অকলে আছিল। মাকে মামীয়েকহঁতৰ লগত গাওঁৰে এখন বিয়ালৈ গৈছিল। মৌজাদাৰো গৈছিল। এনেতে সন্তোৰামে লাহে লাহে কোঠাটোলৈ সোমাই আহি লাহেকৈ মাতি কলে,

"কি কৰিছা লতিকা ?"

"চিঠি লিখিছোঁ, কিয় ?"

তাইৰ বৰ ভয় লাগিছিল। সন্তোৰামৰ চকুৰে চকুৱে চাবলৈকো সাহ নহল। তথাপিতো বাহিৰত ভয় প্ৰকাশ নকৰিলে। সন্তোৰামে এখোজ আগবাঢ়ি আহি কিবা কব খুজিছিল, এনেতে বাহিৰত কাৰোবাৰ কাহ শুনি ঘকুমকুকৈ ওলাই গুচি গল। লতিকাই হাঁহি দিলে যদিও তাইৰ এই পুৰুষৰ প্ৰতি ঘিণ লাগিল। তথাপিতো কথাষাৰ কাৰো আগত নকলে; মাককো।

সিদিনা ৰাতি। ঘৰৰ সকলোবোৰ মানুহ খাই বৈ শুইছে। লতিকা আৰু মাক দুয়োৰে দুখন বিচনাত ভালকৈয়ে টোপনি

আহিছে। তাই এটা সপোন দেখিছিল—ধুনীয়া স্বপ্ন। এজন ডেকা—ঠিক তাহানিৰ পিতাকৰ দৰে, তাৰ বহল বুকুৰ মাজত তাই নিজকে এৰি দিছে; এটা উত্তপ্ত শিহৰণ, এটা জীয়া উন্মাদনা। অলপ পিছতে তাই অনুমান কৰিলে তাইৰ গাত এখন পুৰুষ হাতৰ স্পৰ্শ। হাতখনে আলফুলকৈ লতিকাৰ গাটো পিহি দিছে, আৰু অলপ পিছতে শুনিলে তাই কাৰোবাৰ মুখৰ এটি সৰু মাত "লতিকা—লতিকা"। তাই সাৰ পালে, চকু দুটা মেলি চালে, এন্ধাৰত একো নেদেখি, তাইৰ শৰীৰত আকৌ সেই হাতৰ স্পৰ্শ—আৰু মুখৰ সেই মাত—'লতিকা'। লতিকাৰ বৰকৈয়ে ভয় লাগিল। ভয়তে গোটেই শৰীৰটো কঁপি উঠিছিল। তাইৰ মুখৰ পৰা আপোনা আপুনি ওলাল এটি চিঞৰ, "চোৰ—চোৰ"। হঠাতে দৌৰ মাৰি দুৱাৰখন খুলি বাহিৰ হৈ যোৱা কাৰোবাৰ পদশব্দ শুনা গল। মাকে সাৰ পালে, ঘৰৰ সকলোৱে সাৰ পালে; কোনো চোৰ তেওঁলোকে নেদিখিলে যদিও সন্তোৰামৰ ভৰিৰ জুতা এপাত লতিকাৰ চালপিৰাৰ কাষত দেখা পালে। লতিকাই ভয়তে একো কব নোৱাৰিলে। তাইৰ কান্দিবলৈ মন গৈছিল—উচুপি উচুপি কাৰোবাৰ বুকুৰ মাজত মুখখনি লুকাই কান্দিবলৈ।

পিছদিনা ৰাতিপুৱা কথাটি চাৰিওঁফালে প্ৰচাৰ হল, ঠিক লতিকাই যি বুলি আশা কৰিছিল, তেনেকৈ নহয়। ঠিক কেনেকৈ প্ৰচাৰ হৈছিল তাই শুনা নাছিল। তথাপি লতিকাই মানুহবোৰৰ কথা বতৰাত কিবা এটা অনুমান কৰিছিল। গোটেই কথাখিনি ইমূৰৰ পৰা সিমূৰলৈ তাই এবাৰ নিজাকৈ ভাবি চালে। ক'তা তাইতো

অশ্বত্থদ্. পাবলগীয়া এনে কোনো ঘটনা ঘটা নাই! দুবৃত্তৰ হাতৰ পৰা নিজক ৰক্ষা কৰাটোৱেই যদি এটি অপৰাধ হয়, তেনে হলে সেই অপৰাধক অপৰাধ বুলি কেনেকৈ স্বীকাৰ্য্য হব পাৰে! তাই জানে সন্তোৰামৰ প্ৰতি তাইৰ কোনো দৈহিক বা মানসিক আকৰ্ষণ নাই।

ছুপৰীয়া তাইৰ সমনীয়া মৌজাদাৰৰ জীয়েক প্ৰতিমাই লতিকাক মনে মনে সুধিলে, "হয়নে বাইদেও, সন্তো মহৰীয়ে কৈছে. তই হেনো তাক মাতিছিলি? তই বোলে তালৈ বিয়া সোমাবি বুলি কৈছিলি?"

কথাবোৰে লতিকাৰ খং তুলিছিল। তাই অধৈৰ্য্য হৈ পৰিছিল। সন্তো মহৰীক লগ ধৰি তাইৰ সুধিবলৈ মন গৈছিল— "এইবোৰ মিছা কথা তুমি ৰটনা কৰিবা কিয়···?" তাই মহৰীক সুধিবলৈ নেপালে, কথা বেচিকৈ প্ৰচাৰ নহবলৈ মৌজাদাৰে ব্যৱস্থা হাতত ললে। সিদিনাই মহৰীক কামৰ পৰা খেদি দিলে।

লতিকাই জানে, মাকে তাইক অবিশ্বাস নকৰে। তথাপি তাই লক্ষ্য কৰিলে মাকে কিবা কিবি ভাবি খীণাই গৈছে; মুখৰ হাঁহি পৰ্য্যন্ত নোহোৱা হৈছে। তাইৰ মনটো কেনেবা কেনেবা লাগিছিল। তথাপি তাইৰ এবাৰ সন্দেহ হল, কিজানি মাকেও তাইক অবিশ্বাস কৰিছে। এদিন লতিকাই মাকক সুধি পেলালে, "মা তই মোক বিশ্বাস নকৰ নেকি? তই মোক পৰ বুলি ভাবিছ নেকি?" তাই কান্দি পেলালে।

মাকে লতিকাৰ ফালে চাই সান্ত্বনা দিয়াৰ সুৰতে কলে, "গ্ৰেজুৱেট ছোৱালী ঘৰত থাকিলে তেনে কথা ওলায়েই। তোৰ বিয়া হলেই সেইবোৰ কথা তল পৰিব।"

এদিন মাকে লতিকাক কলে, "মোমায়েৰই তোৰ বিয়াৰ কথা ভাবিছে। হয়তো অলপতে হৈ যাব। এই অলপো আপত্তি নকৰিবি।"

লতিকাই এটি স্বস্তিৰ নিশ্বাস পেলালে। মাকক তাইৰ সুধি পেলাবলৈ মন গৈছিল —'কত বিয়া দিয়ে, দৰা কোন ··'। কিন্তু তাই নোৱাৰিলে। তাইৰ অন্তৰৰ ভিতৰত নিজে নিজে মৰি যাব খোজা পুৰুষজন আকৌ যেন জী উঠিল। তাইক বিয়া লাগে— সেইজন পুৰুষৰ লগত তাইক বিয়া লাগে। লতিকাই ভাবি নেপায় সেই পুৰুষজন কোন, কেনে। মোমায়েকে নিশ্চয় লতিকাৰ অন্যায় নকৰে। তাই তাইৰ সত্বাটোৱে বিচৰা সেই পুৰুষজনক পালে আপত্তি নকৰে, কেতিয়াও নকৰে।

কেইদিনমান পিছত এদিন লতিকাই শুনিলে তাইক চাবলৈ মানুহ আহিব বুলি। লতিকাৰ একেবাৰে বেয়া নেলাগিল। কিন্তু যেতিয়া তাই দেখিলে যে এজন ডুকুৰি বাৰ বছৰীয়া মানুহে নিজেই দৰা হিচাবে লতিকাক চাবলৈ আহিছে, তেতিয়া লতিকাৰ অন্তৰ ভাগি গল। এফালে এটা জীৱনৰ অদম্য হেপাহৰ এখন অন্তৰৰ আকুল কামনাৰ এজনা অচিনৰ মাজতো চিনাকি পুৰুষ আৰু আনফালে বাৰ্দ্ধক্যৰ কাল চোৱাক এক ৰকম বল

কৰিছেই আগ বয়সলৈ টানি আনি ভুৱা পৌৰুষত্ব দাবী কৰিব খোজা নীৰস পুৰুষজনৰ সংগ্ৰাম। লতিকাৰ কাণত পৰিল —দৰাজনৰ আগৰজনী ঘৈনীয়েকে বৰ্ত্তমানত পোন্ধৰ বছৰীয়া লৰা এটি এৰি থৈ গৈছে। ঘৈনীয়েক মৰা এবছৰ হল দৰাজন উকীল।

লতিকাই মৰি যাব খুজিছিল, তাই নোৱাৰিলে। মুখামুখিকৈ তাই খুলি কবলৈ পৰ্য্যন্ত নোৱাৰিলে, "এই বিয়া হব নোৱাৰে ···।" মাথোন তাই বৰকৈ কান্দিলে। * * * * অৱশেষত লতিকাক সেইজন বুঢ়া উকীল ধৰ্ম্মকান্তলৈ বিয়া দিয়া হল। বিয়াৰ দিনাও তাই মৰিব নোৱাৰিলে। জীৱনটোৰ এটা বিৰাট ব্যৰ্থতা, এটা প্ৰকাণ্ড কামনাৰ পতন। মাকক অকলশৰীয়াকৈ এৰিব নেলাগিলে তাই নিশ্চযেই মৰিলেহেতেন। সেই কাৰণে তাই পলাবও নোৱাৰিলে।

জগতখন একেবাৰে শূন্য হৈ যাওঁ যাওঁ হৈছিল। তাই কান্দি কান্দি ভাগৰি পৰিছিল। বুঢা দেহৰ শুকান সান্নিধ্যবোৰে তাইৰ আগত দুৰ্ব্বল হৈ পৰিবলৈ বেচি পৰ নেলাগিছিল। এফালে সতেজ কামনাৰ ক্ৰিয়াহীনতা আৰু আনফালে জোৰ কৰি মাতি অনা কামনাৰ অক্ৰিয়তা—দুয়োটাৰে পৰাজয়—দুয়োটাৰে হা-হুতাশ।

দিনবোৰ বাগৰি যায়। ঘৰখন তেনেকৈয়ে চলি থাকে। উকীলৰ ডেকা ভায়েকৰ দেহত তাই তাইৰ মৰি যোৱা পিতাকৰ স্বৰূপ এটি দেখা পায়। তাই নিজকে নিজে তাইৰ অন্তৰত

সোমাই থকা পুৰুষটোৰ ৰূপৰ লগত উকীলৰ ভাযেকৰ পুৰুষ আকৃতিটোৰ ৰিজনি দেখা পায়। কব নোৱাৰাকৈয়ে লতিকাৰ মনটি সেইফালে আকৰ্ষিত হয। ডেকাজনক দেখি তাইৰ ভাল লাগে কিবা এটি উন্মাদনা এটি প্ৰেৰণা পায। জঁয পৰি যাব খোজা লতিকাৰ দেহটাবে আকৌ ৰসাল হৈ নতুন জীবন পাব খোজে—ঠিক বছৰেকৰ মূৰত জীপাল হৈ উঠা আঙুৰ গছৰ দৰেই। উকীলৰ ভাযেক প্ৰদীপেও কেতিয়া নবৌবেকৰ ফালে হালি গৈছিল কব নোৱাৰে। লতিকাই ধৰ্ম্মকান্ত উকীল আৰু প্ৰদীপৰ মাজত দেখে এটা বিৰাট ব্যবধান।

বহি বহি লতিকাই কিমান পৰ ভাবি আছিল কব নোবাৰে। মূঠতে প্ৰদীপৰ বুকুৰ উমটোৰ সোৱাদখিনি পাহৰিবলৈ তেতিয়া তাইক অলপ সময লাগিছিল। দুবাৰত টুকুৰিযাই টুকুৰিযাই ধৰ্ম্মকান্তই আকৌ মতা শুনিলে, "হেৰা দুবাৰখন খুলি দিযা।"

এন্ধাৰৰ মাজতে এখনি বিদ্ৰোহী অথচ সভয অন্তৰ লৈ তাই বিচনাৰ পৰা নামি বিচনাখনিলৈ আকৌ এবাৰ চালে। তাই অনুমান কৰিলে প্ৰদীপ তাৰ পৰা উঠি গৈছে। দুবাৰৰ খিলাটো খুলি দিবলৈ লতিকা আগবাঢ়ি গল। বিৰক্তিপূণ তাইৰ মুখখনি তেতিয়া ঘৰত সোমাই থকা এন্ধাৰৰ ক'লাবোৰে আগুৰি পেলাইছিল।

তাই সাৰ পালে।

"উঠিলিনে ? মৰণাটো সাৰি দে· ...."

পুহমহীয়া জাৰ আগুৰিবলৈ ফটাকাপোৰৰ টুকুৰাৰে তৈযাৰ কৰা নিহালীখনৰ পাগটো তাইৰ বৰ ভাল লাগিছিল। ৰাতি পুৱাওঁ নৌপুৱাওঁতেই সদায় সদায় বুঢা পিতাকটোক এই মৰণাবোৰ মাৰিবলৈ কিহে পায়! অলপ বেলি হলেওতো একো কথা নাই......, আৰু কিবাকিবি ভাবি ভাবি তাইৰ খং উঠে। আকৌ তাইৰ কাণত পৰে মৰণাৰ ওপৰত গৰুৰ খোজত উঠা খেৰবোৰৰ খৰ্‌খৰনি মাত, ওখোনৰে ওখোনিয়াই দিয়া খেৰৰ খচাখৰ্চনি আৰু গৰু খেদিবলৈ মাজে মাজে দুই এষাৰি হুঁ-হু-হে-হে মাত। আজিবা আকৌ কেইডাঙৰি ধানৰ মৰণা পেলাইছে। চোতালৰ কোণ এটিত দমাই থোৱা ধানৰ দাঙৰিবোৰ নিশ্চয় আজি আধৰুৱা দেখা হৈছে। মৰণা সজাবলৈ টানি অনা দাঙৰিৰ পৰা সৰি পৰা ধানবোৰে চাগৈ মৰণাটোলৈ এটা সোণালী আলি পাতিছে, কাষত চাগৈ চিটিঙ্কি চিটিকি বহুত ধান ··।

চম্পাৰ মনলৈ কিবা এটা উচাহ আহে। নিহালীৰ তলৰ পাগটোৱে তাইক আৰু বান্ধি ৰাখিব নোৱাৰে। নিহালীখন আতঁৰাই তাই উঠি বহে। টোপনিতে সুলকি থকা মেখেলাখন

বুকলৈ টানি আনি বান্ধি লয়। বাইঁৰ চাঙখনৰ পৰা নামিবলৈ লওঁতেই চাঙখনত এটা কেৰ্‌কেৰনি মাত উঠে। তাই নামি পৰে আৰু চুলি কোচাত খোপাটি বান্ধি লৈ কিবা এডোখৰ কাপোৰ গাত লয়। অলপ জাৰ লাগে। চাঙৰ পৰা ভৰিখন মাটিত দিওঁতেই কিন্তু গুদা ভৰিৰ তলুৱাখন চেঙ-চেঙাই গৈছিল। * * * দুৱাৰখন কাতি কৰি ওলায বাহিৰলৈ। চকুত পৰে মৰণাৰ ওপৰত গৰুৰ পিছে পিছে মাৰি এডাল লৈ পিতাকক। নতুন ধানৰ মৰণাৰ পৰা ওলাই অহা গোন্ধ এটি তাইৰ নাকেদি সোমাই যায, তাইৰ ভাল লাগে। চকুহুটা মোহাৰি গাৰ এটা এঙামুৰি দিযে তাই। এটা হামি আহে।

“মৰণাটো সাৰি দে। জাৰ জাৰকৈ থাকিলে কি হব; কামত লাগিলেই জাৰ এৰা দিব। বেলি উঠাৰ লগে লগে মৰণাটো শেষ হৈ যাব। আধা আধি ধান সৰিলেই।”

তাই আকৌ এটা হামি এৰি দিযে। দুৱাৰ দলি চেৰাই লৈ বাঢনী তাৰলৈ চকু পৰে। এৰা বাঢনীতাৰ কালি থোৱা ঠাইতে আছে। পিতাকে নিশ্চয ইযাৰ আগতে মৰণাৰ কাষটো এবাৰো সাৰি দিয়া নাই। ধানৰ শিহবোৰ মৰণাৰ কাষতে এতিয়াও মাটিতে পৰি আছে—সেইবোৰ ওপৰত তুলি দিব লাগিব। কঁকালত ভালকৈ এটা মেথনি মাৰি লয। মেখেলাখন উজাই আহে কলাফুলৰ ওপৰলৈ। ভৰিৰ পৰা কলাফুললৈ নঙঠা হৈ উঠে। জাৰবোৰে খুন্দিযাই দিয়ে।

"আজি এই মৰণাটো ইমান ডাঙৰ হৈছে! কিমান ভাৰ দাঙবি পেলাইছ?"

"দহভাৰ একেলগে দিলোঁ। দুটাও সৰু হয়, এটাও ডাঙৰ হয়। কত কেইদিন মাৰি থাকিবি। পানীশালি খিনি আজিয়েই শেষ কৰি দিলোঁ। হৈ যাব দে—কিমান বেলি লাগিছে।"

ইতিমধ্যেই তাই মৰণাটো সাৰিবলৈ লয়। ৰাতিপুৱাৰ আকাশখনি বগা হৈ উঠে। গোহালিত থকা ছাগলীজনীয়ে বেবায়। শোৱা ঘৰৰ এচুকত বান্ধি থোৱা দামুৰি পোৱালী-টোৱে হেম্বেলীয়ায়, গোহালিৰ পৰা গাইজনীয়েও। বেৰত আঁৰি থোৱা পাৰ চৰাইৰ বাহটোৰ পৰা পাৰবোৰে কুৰুলিয়ায়, পোৱালীবোৰে পিট্‌-পিট্‌ কৰে। মৰণাটোৰ ওপৰে ওপৰে সাৰি দিয়া তাইৰ শেষ হয়।

"সৰা হল যদি যাচোন—দামুৰি পোৱালীটো ঘৰৰ পৰা উলিয়াই গোহালিৰ এচুকতে বান্ধি থ। হাগি মুতি তেনেই ফেনেকিলে যেন পাইছোঁ। পাৰ চৰাইৰ দুৱাৰখনো এৰি দে।"

মৰণা সৰা ঠাইতে থিয়ৈ থিয়ৈ বাঢ়নীডাৰ জোকাৰি দিয়ে। গাত লোৱা কাপোৰ ডোখৰৰ তাই আৰু আৱশ্যকতা বোধ নকৰে, জাৰবোৰে তাইৰ গাৰ পৰা আঁতৰি যায়। কঁকালৰ মেথনিটো টানকৈ বান্ধে। মেখেলাত ধানবোৰে

বিন্ধি ধৰিছিল, তাই জোকাবে। পিতাকৰ সন্মুখতে কল্যাণুল পাব হৈ যোৱাকৈ মেখেলাখন জোকাবিবলৈ তাই লাজ নকৰে। কৰিবই বা কিয়! তাইৰ কেচুৱাতে মাক মৰা দিন ধৰি গু-মুত ধুই পিতাকেই তাইক এতিয়া বাৰ বছৰীয়া কৰিলে। তাইৰ কষ্ট হব বুলিয়েই এঘাৰ বছৰ আগতে একুৰি পোন্ধৰ বছৰ বয়সীয়া তাইৰ পিতাকে আৰু এজনী নানিলে। এৰা, তাই মাকৰ মুখৰ ছবিটো পাহৰিলে—কেচুৱাতে দেখিছিল। দেখা নেদেখা একেই। মাকৰ মৰম পোৱা নায়েই যেতিয়া মাকৰ আৱশ্যকতা তাই আজিও অনুভৱ নকৰে—পিতাকৰ হলে আৱশ্যকতা আছে। * * * দামুৰিটোৱে আকৌ হেম্বেলিয়ায়। দাতিতে বাঢ়নীতাৰ থৈ দামুৰিটো আনিবলৈ যায়। তাই ওচৰ পোৱাৰ লগে লগে দামুৰিটোৰ কোব চৰে—যেন পঘাডাল খুলিবলৈকে চম্পাক সময় দিব নোৱাৰি। মাজে মাজে জপিয়ায়। নেজত, ঠেঙৰ খুৰাত লাগি পৰা গোবৰ, মুত আৰু বোকাবোৰ চিটিকি পৰে তাইৰ মেখেলাখনিত, গালত, আৰু মুখত।

"মৰ দামুৰীটোৱে পঘাডাল খুলিবলৈকেই নিদিয়ে।" আপোনা-আপুনি তাইৰ মুখৰ পৰা ওলাই আহে; খঙত নহয়, বিৰক্তিত।

"এৰা হবই—পিয়াহ লাগিছেতো, মাকৰ গাখীৰ খাবলৈ তেনেখন কৰিবই। পঘাডাল খুলিব পাৰিছনে নাই?"

"এয়া পাৰিছোঁ"—বুলি কৈ বাহিৰলৈ দামুৰিটো আনি

গোহালিৰ কোণ এটিত বান্ধি থয়। দামুৰিটোৱে আকৌ এটা হেম্বেলনি দিয়ে, মাকজনীয়ে অলপ আঁতৰৰ পৰাই মৰম জনায়। চম্পাই গাইজনীলৈ চায়—"এয়েনে মাকৰ মৰম!" নামি আহে। পাৰ চৰাইবোৰ এৰি দিয়ে—উৰি গৈ চালত পৰে। ছাগলীজনীয়ে আকৌ বেবায়। মেকুৰীটোৱে মুখত নিগনি এটা লৈ ভিৰাই লৰ মাৰে ভড়াল ঘৰৰ ভিতৰলৈ।

পোহৰবোৰ ভালকৈয়ে নামি আহে আকাশৰ পৰা। কৰ্কালৰ মেথনিটো এবাৰ স্নুলকি পৰে—ভালকৈ আকৌ তাই বান্ধি লয়।

'পিতাই তই অলপ জিৰাই ল, গৰু কেইটা মযেই..." তাই কয়। পিতাকে তাইৰ এইবোৰ কথাত একো নতুনত্ব বিচাৰি নেপায়।

"তয়ে খেদিবি নৌকি? আগতে জুই একুৰা ধৰি মোক ধপাত এচিলিম লগাই দে।"

তাই যায়। আগদিনাই তুঁহগুৰিত লগাই থোৱা তুঁহজুইখিনিত তাই ফু মাৰি দিয়ে। ছাইবোৰ ছিটিকি পৰে তাইৰ গালে, মুখে, চকুৱে। তাই ফুৱাবলৈ এৰি নিদিয়ে। ৰাতিপুৱাতেই তাইৰ মুখখনি ৰঙা পৰি উঠে। তুঁহৰ ধোঁৱা চকুত লাগি চকুজুৰি চলচলিয়া হয়। জুইকুৰাৰ ওপৰতে ওলমি থকা সৰু জৰীডালত মাটিৰ ক'লা টেকেলীটো আঁৰি দি পানী অলপ বহাই দিয়ে। তাৰ পিছত এচিলিম ধপাত লগাই পিতাকক

আনি দিয়ে। পিতাকে তাইৰ হাতত চেকনিডাল দি ওচৰতে খৰি ফলা টাঙোনদালৰ ওপৰত বহি ধপাত হুপিবলৈ লয়। চম্পাই মৰণা খেদে।

কুঁৰলীবোৰ আঁতৰ হয়, চৌতাল ভৰি ৰ'দ উঠে। কুঁহিয়াৰ তলিত দিবলৈকে দম কৰি থোৱা শুকান গোবৰৰ দমটো চকুত পৰা হয়। ওচৰতে থকা খৰিকেদালৰ ওপৰতো ৰ'দ পৰে। আধিলৈ লোৱা মাটিৰ খেতিৰ পৰা পোৱা মাহখিনি চালৰ ওপৰতে মেলি দিয়াই আছে। তাতো ৰ'দ পৰিছে—আজিয়েই নমাব লাগিব, নহলে চেঁইবোৰ ফাটি যাব। মাটিৰ গিৰিহতে কৈছে বিহুত কৰাই খাব পৰাকৈ আধিয়াৰ মাহখিনি যিমান সোনকালে পাৰি দিব লাগে। জহাধানৰ দাঙৰি কেইটাতো ৰ'দ পৰিছে, বেচি নাই সাতভাৰ এদাঙৰি। একেটা মৰণাতেই হৈ যাব। বিহুৰ আগে আগে জহাধানৰ মৰণাটো শেষ কৰিবই লাগিব। মাটিৰ গিৰিহতে কৈছে, আধিয়া আৰু ঠিকা মাটিৰ ধান একেখন মটৰতেই নিব বিহুৰ আগে আগে। জহাধানৰ দাঙৰিৰ তলত থকা বোকা-ধান আৰু বৰধানৰ মৰণাও বেছি নহয়, বৰ বেচি হয় যদি পাঁচোটা। ভাল গৰু পালে তিনিটাকেই থটম্। * * * বুঢ়াই ধপাতৰ চিলিমটো থৈ দিয়ে আৰু চম্পাৰ হাতৰ পৰা চেকনিডাল লৈ গৰুৰ পিছ লয়।

"এৰা ধান সৰিলেই। আৰু চাৰিটামান পাক ঘূৰাই গৰু খুলিলে নহবনে পিতাই ?"

"হব দে। কাষৰটো আকৌ এবাৰ সাৰি দিবি নেকি? কৰবাত তুই এটা শিহ মাটিতেই থাকিলবা?"

"নেলাগে মই ভালকৈ চাইছোঁ।"

"থক তেতিয়া হলে। তই পানী এটোপা বহাই দেগৈ। পিঠাগুৰি কেইটাত আজি পানী মিহলাই গুৰ সানি টেপা কৰ। সদায় সদায়নো চাহত পেলাই কিমান খাবি?"

চম্পাই যে টেকেলিত পানী বহাই দি আহিছিল পাহৰি-ছিলেই। জুইকুৰা চাগৈ নুমাই গৈছে। তাই লৰি গৈ ভিতৰ সোমাল। জুইকুৰা সচাঁসঁচিকৈ নুমাই গৈছে। তাই জ্বলাই দিয়ে। মৰ পানী জাৰতে ঠেটুৰা লাগিছে, গৰম হৈ নাহেহে নাহে। তাই খৰি এডালত বহি লয়। বাটি এটাত পিঠাগুৰি লৈ 'গোলাৰ' পৰা অনা গুৰ এখামোচ় টেকেলিৰ পৰা উলিয়াই পানী মিহলায় আৰু ডাঙৰকৈ টেপালাক বান্ধে।

টেকেলিটোৰ মুখখনি গুচোৱাৰ লগে লগেই কেনেবা এটি গোন্ধ ওলায়। গুৰবোৰ ভাল নহয়। ফটা কানিৰ টুকুৰা আকৌ গুৰত কিয়! তুই এটুকুৰা কাগজো। চম্পাৰ পিতাকে যোৱা বেলি কুঁহিয়াৰৰ খেতিৰ পৰা পোৱা তিনি কলহ গুৰ দেখোঁন চাফা আছিল, দোকানৰবোৰ আকৌ ক'লা কিয়! গোন্ধো কেনেবা কেনেবা। এবা, হাতত পইচা থকা হলে ছজনাইদি চৌধুৰীৰ গোলা'ৰ পৰা আধাসেৰ আনিলেহেতেন। চাৰি অনাৰেনো ভাল গুৰ আধা সেৰ কত পায়? × × × মেকুৰী

পোৱালীটোৱে পিঠাগুৰিৰ বাটিটোৰ কাষ চাপে। সনা পিঠা-গুৰিৰ পৰা অলপ তাই মেকুৰী পোৱালীটোক দিয়ে—কাগজ এটুকুৰাৰ ওপৰত। মেকুৰী পোৱালীটোৱে সুঙি এৰি যায় —নেখায়।

"পিতাই তোৰ হলনে?"—চম্পাই জুহালৰ পৰাই সোধে।
"অঁ; পানী এটোপা দে চকুৱে মুখে দিওঁ"—গৰু কেইটাৰ গা জোকাৰি দি ওচৰতে খুটাত বান্ধি থয়। চম্পাই পানী আনি দিয়ে। পিতাকে চকু মুখ ধুই ভিতৰ সোমায়। × × × চাহে পিঠাগুৰিয়ে নাকে মুখে গুজি দিয়ে। খাওঁতেই সময় কটাব নোৱাৰি; সোৱাদ জুখিবলৈকো সময় নাইকিয়া। খাব লাগে বুলিহে খোৱাতো ··।

"পিতাই এই গেলা গুৰবোৰ আৰু খাব নোৱাৰি। কেনেবা কেনেবা গোন্ধাইছে"।

"এৰা"—ইমান পৰে বুঢ়াই তালৈ 'খেয়াল' কৰা নাছিল, "অলপ গোন্ধাইছে। 'গোলা'ৰ মিঠাই অলপ গোন্ধাবই।" এইখিনি মিঠাই যেনিবা আগতকৈ অলপ বাৰু। জহৰত বাবুৰ গোলাৰ সোপা আকৌ নাকৰ কাষলৈকে নিব নোৱাৰি। সেইবেলি এদিনৰ কাৰণে 'কালিয়নে' খুজিলত জহৰত বাবুৱে হোৰহোৰাই উঠিল। বাবুৰ গাইজনীৰ বাবে ঘাঁহ একোচা কাটি দিলতহে পইচাৰ বদলি গুৰ এসেৰ দিলে। এই ধনী মানুহবোৰৰ হয় মানে আটি নাহে। যেন এনেইহে আধাসেৰ

গুৰ খুজিছিল। পইছা তিনি অনা যেনিবা পিছদিনাই যোগাৰ কৰি দিলেহেঁতেন। তিনি অনা পইছা খাই সি কিবা ধনী হ'বনে? নে অহৰত বাবু দুখীয়া হৈ গলহেঁতেন!

"এইবাৰ পিতাই বজাৰত এমোন ধানকেই বেচি দিবি। বেচি পইছা দিলেহে ভাল গুৰ পায়...।"

"চাওঁচোন।" এমোন ধান—বজাৰলৈ—দাম নটকা—গুৰ এসেৰ—চম্পাৰ মেখেলাখনি ফাটিছে, এখনি মাৰ্কিন কাপোৰ—বস্তি মাটি ডোখৰৰ তিনিবছৰৰ খাজানা—মাটি 'ইলামৰ' চমন...। এমোন ধান—আধিয়া কৰি কৰা খেতিৰ পৰা পাব পৰা ধান একুৰি-পাঁচ মোনৰ বাৰ মোন মাটিৰ গিৰি-হঁতৰ, দুমোন বিধানৰ, ঠিকা মাটিৰ পৰা পাব পৰা ধান (আহিনৰ পানীয়ে চেলেকিলে) ত্ৰিশ মোনৰ চবিবশ মোন মহাজনৰ, হাল বাবলৈ অনা গৰু হালৰ ভাড়া চাৰি মোন (আগতে দিয়া খিনি বাদ দি), যোৱা বাৰ বসন্তত ওলাই মৰা গৰুহাল কিনোতে মুখাৰ্জ্জী বাবুৰ পৰা বছৰি কুৰিত এমোন ধান সুদীয়াকৈ অনা টকাৰ মূলবাদে এই বছৰৰ দিবলগীয়া ধান সাত মোন (মুখাৰ্জ্জী বাবুৱে যে কিমান কম ভালকৈ বুজিবও নোৱাৰি; তিনি পুৰুষ গল, আমাৰ মাতকে নিশিকিলে) * * * এমোন ধান * * * বজাৰ * * * গুৰ, কাপোৰ, ইলামৰ চমন'......। সি চাই থাই ওলাই আছে। মৰণাৰ খেৰসোপাৰ তলত ধানবোৰ লুকাই পৰিছে—মাটিৰ গিৰিহঁত আৰু তাঁৰ

ধান। এইখিনি ধান বৰ বেয়া হোৱা নাছিল। ··মুঠিয়া বোৰত নৰা অলপহে আহিছিল, পাঁচ-জাপ ধান একেলগে আনিব পৰা নগৈছিল। এৰা, মাটি টুকুৰা বেয়া নহয়। অহা বছৰলৈবা গিৰিহঁতে মাটি টুকুৰ কাক দিয়ে। তাক নিদিব কিয়? সিতো গিৰিহতক ঠগা নাই। ওখোনেৰে ধানবোৰ জোকাৰে, সৰ্সৰ্কৈ ধানবোৰ সৰি পৰে। পতান বৰ কম; যি দুই এটা আছে, সিও ঘুগলি বোৰৰ লগত বহুদূৰলৈ উৰি যায় বতাহত। নতুন খেৰ আৰু ধানৰ গোন্ধটো বিয়পি পৰে। তাৰ ভাল লাগে। উলিওৱা ধানৰ খেৰবোৰৰ এটা দম হয়, ধানখিনিয়ে চোঁতালখনি সোঁনালী কৰি তোলে। চোঁতালৰ কাষে কাষে বহুত ধান; ওখোনৰ আগত চিটিকি গৈছে। দুই এটা মাটিতে পিটিকা মাৰিছে। সি ধানৰ ওপৰত উঠি ওখোনৰে ওখনিয়াই দিয়ে দীঘল দীঘল ৰেখা পৰি যায়। ৰেখাবোৰে ৰামধনু যেন ভাঁজ লয়। কাষলৈ ধান আকৌ চিটিকে; 'আভেজানি' কৰিব নোৱাৰি এটা ধানো। মাটিৰ 'গিৰস্তক' বেচি ধান দিব পাৰিলেহে অহা বছৰলৈ আকৌ মাটি ·· ঠিকা, আধি···খেতিৰ মূৰত এবছৰৰ দুটা পেটৰ বাবে ছয় মোন ধান···।

"অ আই, মৰণাটো সাৰি দে।"

চম্পা ওলাই আহে; বাঢ়নীডালৰ কাষলৈ গৈ ককালৰ মেখেলিটো মাৰি লয়, হাতত লয় বাঢ়নীডাল। বাঢ়নীয়ে আঁকি যায় কেতবোৰ এঁকা বেঁকা ৰেখা।

## এখনি নিলিখা চিঠি

মৰমৰ কেঁচাসোণ,

তোমাক কেঁচাসোণ বুলি সম্বোধন কৰিয়েই বৰ ভাল লাগে ; তুমিও এদিন কৈছিলা—তুমিও হেনো ভাল পোৱা। অতীতৰ বহুত কথাই মনত পৰে : বেচিকৈ কিন্তু মনত পৰে তোমাৰ সেই প্ৰশ্নটি "তোক কাষত পালে সেউতী, মোৰ কিয় ইমান ভাল লাগে বাৰু ?" মোৰ সৰু কৰ্কালখনি, গাতে লিপিট খাই পৰা ফিৰ্ফিৰিয়া জৰ্জেটৰ চাদৰখনিৰ মাজেদি দেখা নেদেখাকৈ ফুটি উঠা মোৰ কোমল ( ? ) দেহৰ অৱয়বটি আৰু খোজে পতি উঠা কিহবাৰ ঢৌ· ইত্যাদি কিবাকিবি বৰ্ণনা দি তুমি ভাল লগা বুলি কৈছিলা। মোক শুৱনিকৈ চাবলৈ তুমি যে কিমান ধৰণেৰে কাপোৰ পিন্ধাই নতুন নতুন ভঙ্গীমাৰে চাইছিলা। শাৰি, মেখেলা-চাদৰ চেলোৱাৰ-পাঞ্জাৱী ··আৰু যে কিমান পোচাক, কিমান বিভিন্ন ৰঙৰ কাপোৰ পিন্ধি তোমাৰ আগত ওলাব লাগিছিল ! সৰ্টাকৈয়ে কেঁচাসোণ, বৰ ভাল লাগিছিল সেই দিনবোৰ, ভাল লাগিছিল শই শই ধালি দিয়া তোমাৰ টকাৰ মাজত লুকাই * * * সেইবোৰৰ স্মৃতি মোৰ আজিও ভাল লাগে।

চিলঙৰ 'গল্ফলিঙ্কখন সেয়া আগৰ দৰেই আছে। পাইনৰ তলৰ মুকলি পাতল বতাহে এতিয়াও মোৰ আঁচল উৰায়, গৱৰ্ণৰ্ চ লেকৰ পাৰৰ বেঞ্চকেইখনত কেতিয়াবা বহো কোনোবা নতুন বন্ধুৰ স'তে, অচিন মানুহবোৰে ক্ষন্তেকৰ কাৰণে বন্ধুতা কৰে আৰু

যায়। তথাপিতো সুদা সুদা যেন লাগে—কিবা যেন নাই নাই। এলিফেণ্ট-ফলুচৰ কাষৰ সেই বহল শিল চটা এতিয়াও আছে; কিন্তু তাৰ কিবা শিহৰণ এটি নাই। আৰু····· বহুত কথাই মনত পৰে। বাৰে বাৰে মনত পৰে মোৰ অতীতৰ সেই অৱস্থাটি—যেতিয়া মই আছিলোঁ। কিশোৰী, দহটকীয়া বানচত কেশৰ হাজৰিকাৰ ঘৰৰ সাজ-বাচন, কানি কাপোৰ ধুৱাকৈ। গাভৰু তেজ কেতিয়া শৰীৰত সোমাল, মোৰ হাত ভৰি সুঠাম কেতিয়া হল গমেই নেপালোঁ। তোমাৰ চকুত মোৰ দাৰিদ্ৰ্য কেতিয়া গজিল ?······মই খবৰ নোপোৱাকৈয়ে তুমি আহি হলাহি মোৰ ওচৰত আলহী। তোমাৰ প্ৰলোভনৰ মাজত সোমাই মোৰ দৰিদ্ৰতাই কিবা যেন এটি নতুনকৈ জীয়াই থকাৰ উপায় পালে। কিমান ৰং-বিৰঙৰ কাপোৰ দিলা, কিমান তেল, পাওদাৰ, স্নো, লিপষ্টিক······কিমান যে প্ৰসাধনবোৰ নিদিলা!

হেৰা জয়ন্ত, তোমাক আজি এবাৰ লগ পাবলৈ আৰু সুধিবলৈ মন গৈছে—তুমি জানো মোৰ সৰুকালৰ দুৰৱস্থাটি দেখা নাছিলা? মা আৰু সৰু ভাইটিক পুহিবৰ বাবে মই সেই সময়ত চাকৰণী হব লগা মোৰ অৱস্থাটো তোমাৰ জানো চকুত পৰা নাছিল? তেতিয়া তুমি বাৰু অলপ সহায় কৰিবলৈ উপযাচি অহা নাছিলা কিয়? আগতেওতো তুমি আমাক পাইছিলা। সেই যে তোমাৰে মোৰে পৰিচয়, সাহচৰ্য্য আৰু সান্নিধ্যৰ প্ৰথম ক্ষণটো ইমান সুন্দৰ লাগিছিল, আগতেই জনা হলে হয়তো তোমাৰ লগত মই পৰিচয় নোহোৱাকৈয়ে থাকিলোঁহেতেন।

তোমাৰ লগৰ মোৰ সেই প্ৰথম ক্ষণটোৱে জানো আজি মোক 'বেশ্যা' কৰি নুতুলিছে ? কেতবোৰ লোকে মোলৈ চাই ইতিকিং কৰে, ঘিণ কৰি বাট কাতি গুচি যায় ; আৰু মই থাকোঁ বেপাৰী মনোবৃত্তিৰে ন-পুৰণি আলহীৰ অপেক্ষাত।

সিদিনা আৰু এজন মোৰ নতুন অচিন আলহীয়ে মোক এটা কথা স্পষ্টকৈ কৈছিল, "মই ইয়ালৈ কিয় আহিছোঁ জানা ? আৰ্থিক অচলতাই চঞ্চল আৰু অৱশ কৰা মনটিক এধানমান জুৰ পেলাবৰ কাৰণেই হওক বা ক্ষন্তেকলৈ পাহৰি যাবলৈকেই হওক সেই কাৰণে। কিমান টকা লবা ?" মোৰ কৃত্ৰিম বেপাৰী মনোবৃত্তিটো কিছু পৰলৈ জঁয় পৰি গৈ আছিল যদিও সুধিছিলোঁ, "কিমান দিবা, দহটকা দিব পাৰিবা ? পাৰা যদি আহা, নহলে ঘোৰাগৈ।" আলহীৰ কেনে লাগিছিল নেজানো। জেপ কিমান গধূৰ আছিল তাকো নেজানো ; কিন্তু তেওঁক সেমেকা যেন দেখাইছিল। অলপ পিছতে তেওঁ কৈছিল, "নেলাগে বাৰু। হেৰা কাকিয়াদ আছে ?" আঠ অনা পইচাৰ 'কাকিয়াদ' খাই আলহী উভতি গল ধলংধপংকৈ। দুখ লাগিছিল এই কাৰণেই যে কিবা এটি দুখত পৰিহে 'শান্তি' বিচাৰি আহিছিল তেওঁ এজনী বেশ্যাৰ কাষলৈ। অকল সেই এটিয়েই উদাহৰণ নহয়—আৰুযে কিমানজনে মোৰ দেহৰ সান্নিধ্য পাবলৈ হাবাথুৰি খাই আছে ; আৰু কিমানজনৰ চাবা তুমি প্ৰাণৰ আক্ষেপ ! তুমিতো কেঁচাসোণ, কাহানিও টকা পইচাৰ কাৰণে অকণো ভবা নাছিলা ! হেজাৰে হেজাৰে টকা মোৰ লগত

খৰচ কৰি তুমি জানো 'শান্তি' নাইবা তৃপ্তি বিচৰা নাছিলা? মোৰ এটা চকুৰ চাৱনি, এটি হাঁহিয়ে তোমাৰ অন্তৰত কেনেদৰে ক্রিয়া কৰিছিল তুমি জানো ফুটাই কোৱা নাছিলা? মোৰ দুখ লাগে এই কাৰণেই যে মই তোমালোকৰ সকলোৰে খেলৰ পুতলা আৰু তুমি আনি দিয়া বেশ্যা বৃত্তিয়েই মোৰ জীৱন ধাৰণৰ সম্বল। সিদিনাৰ সেই আলহীজনে যেনিবা মোৰ দেহৰ মাজলৈ বিচাৰি অহা কিবা এটি নেপাই এগিলাচ কাকিয়'দ খাইয়েই কিহবাৰ যন্ত্ৰণা পাহৰি গল। সিদিনাৰ সিজন আলহীয়েই কেৱল নহয়, তেনেকৈ বহুত আলহীয়েই যেনিবা আহে আৰু যায়—শান্তি পায় নেপায় নেজানোঁ, হয়তো ব্যৰ্থ হৈ যায়? তুমি কিন্তু তোমাক লগাখিনি পাইছিলা—নহয় জানো? তোমাৰ আৰ্থিক সামৰ্থ্যতাই তুমি বিচৰাখিনি আনন্দ মোৰ এটি দেহৰ জৰিয়তে দিব পাৰিছিল। মই বুজি পাইছোঁ—শান্তি পাবলৈ বহুবিধ অৱস্থাৰ লোকে বহুৰকমেৰে আমাক বিচাৰে। আমি যেন কল্পবৃক্ষ, যেয়ে যেনেকৈ বিচাৰে আমি যেন তেনেকৈয়ে ভাঁজ লব পাৰোঁ। আমাৰ জানো নিজা স্থায়ীত্ব নাই?

নংথিমাইৰ এই সৰু কোঠাটিত মোৰ আলহীৰ অভাৱ নাই। কিন্তু মোৰ ভয় লাগে কেতিয়াবা—এই যৌৱনৰ শেষ হৈ আহিব ধৰা দিনকেইটালৈ মোৰ বৰ ভয় লাগে। দুদিন পিছত মই হম বুঢ়ী: গাল মুখৰ পৰা যৌৱন আঁতৰি যাব তোমাৰ ভাষাৰ এয়া 'লাৱণী দেহ' দুদিন পিছত জড় হৈ যাব, চুলি পকিব, দাঁত সৰিব। তেতিয়া জানো তুমি মোৰ কাষলৈ আহিবা? যৌৱন

উকলি যোৱা দিনবোৰৰ মাজৰ পৰা মোৰ স্বৰূপ বিচাৰি হাৱাথুৰি খাই যেতিয়া আকৌ দৰিদ্ৰতাক সাৱতি লম, তেতিয়া জানো মোলৈ তোমাৰ মনত পৰিব ? যি শূন্যৰ গৰ্ভৰ পৰা ওলাই আহিছোঁ, সেই শূন্যতে আকৌ জানো বিলীন হবগৈ নেলাগিব ?

জয়ন্ত, বহুদিন ধৰি তোমাক লগ পোৱা নাই। বহুত কথাকেই সাঁচি ৰাখিছোঁ—এদিন কোনো এটা ভাল লগা সন্ধিয়া পৰত লগ পালে তোমাক কম বুলি। সকলোবোৰ কথাকে সকলোৰে আগত কব নোৱাৰি। তুমি জানাই—মই ব্যৱসায়ী। গ্ৰাহকৰ মনোৰঞ্জনৰ কাৰণে বিভিন্ন গ্ৰাহকৰ ৰুচি অনুসাৰে দোকানীয়ে কথা পাতে ; অৱশ্যে তাৰ মাজতো নিজৰ ৰুচিৰ কথাখিনি লুকাই ৰাখে। সেই দোকানী আৰু মই দোকানীৰ মাজত পাৰ্থক্য নিচেই কমেই আছে। তথাপিতো কেঁচাসোণ, মই গৰ্ব কৰিব পাৰোঁ যে পৃথিৱীৰ কোনোৱে চিনি নোপোৱা মানুহবোৰক মই চিনি পাওঁ, তেওঁলোকে বাহিৰৰ সংসাৰত উলিয়াই দিয়া 'মানুহ' জনৰ ভিতৰৰ 'মানুহ' জনে আহি মোৰ আগত ধৰা পৰি যায়। জগতৰ আগত মুখাপিন্ধি থকা বহুত জ্ঞানী, নৈতিক, বলৱন্ত আদি বহুত উপাধিধাৰীবোৰৰ ভিতৰত লুকাই ৰখা দুৰ্ব্বলতাবোৰ ধৰা পৰেহি মোৰ আগত কোনেও মোক ঠগি যাব নোৱাৰে, নিজে নিজেই ব্যক্ত কৰি যায়হি। তথাপিতো জয়ন্ত, মই জানো কাহানিবা কাৰোবাৰ কুৎসা ৰটনা কৰিছোঁ ?

এদিনৰ এটা কথা মোৰ মনত পৰিছে। এজন আলহী—জ্ঞানী,

দাৰ্শনিক, সৌন্দৰ্য্যকামী। নিৰাভৰণা প্ৰকৃতিৰ মাজৰ 'সুন্দৰ' খিনিৰ আঁৰত থকা দৰ্শনৰ তথ্য নাইবা ৰিজনি বিচাৰি অহা সেই আলহী এজনৰ কথা কব খুজিছোঁ। উলঙ্গ প্ৰকৃতিৰ ৰূপ বিচাৰি বিচাৰি তেওঁ কাষ চাপিলেহি মোৰ—এটা সন্ধিয়া—জোনাকৰ সন্ধিয়াত। আমি দুয়ো ওলাই গৈছিলোঁ—মই আগে আগে, তেওঁ পিছে পিছে—সেই জনপ্ৰাণীহীন পাহাৰৰ টিলাটোলৈ, সৰল গছৰ তলে তলে। সিদিনা সেইজন আলহীয়ে কলে—মই হেনো মুক্ত; সুন্দৰী প্ৰকৃতিৰ মাজত থকা মানুহ সমাজৰ পৃথিৱীত মই হেনো সকলো অসম্পূৰ্ণ আশা-আকাঙ্ক্ষাবোৰৰ সম্পূৰক, মই বোলে পুৰুষ-প্ৰকৃতিক বিলাই দিব পৰাকৈ জগতৰ মাজত থকা সকলোবোৰ কথাৰে স্তুপ—সকলোবোৰ অভিজ্ঞতাকে অভিনয় কৰিব পৰা মই হেনো নায়িকা।

তেনেকৈ এদিন আহিছিল এজন অৰ্থনীতিবিদ—মোৰ মাজলৈ অৰ্থনীতিৰ সমল বিচাৰি, এদিন আহিছিল এজন কবি—মোৰ মাজলৈ কবিতা বিচাৰি, এদিন আহিছিল । মই আজি গৌৰৱ কৰিমেই—নকৰিম কিয় জয়ন্ত, পৃথিৱীৰ সকলোবোৰ কথাৰে নিজকে গবেষণাগাৰ বুলি কবলৈ মই নিজে সৎ-সাহসেৰে স্পষ্টভাৱে আগ নেবাঢ়িম কিয়? কিন্তু মোৰ বৰ ভয় লাগে একোবাৰ, কেতিয়াবা সঙ্কোচ কৰি পেলাওঁ—এই সকলোবোৰৰ মাজত পৰি কেতিয়াবা নিজকে নিজে হেৰাই যাওঁ বুলি, কেতিয়াবা মোৰ ভিতৰত লুকাই থকা 'মানৱী' জনীয়ে মোক কৰবাত এৰি থৈ আন কৰবালৈ গুচি যায় বুলি।

একোদিন বেয়া লাগে—বৰ বেয়া লাগে—মৰি যাব পৰাকৈ বেয়া লাগে।••সিদিনা দুৱাৰ খিৰিকী মাৰি শুই থাকিবৰ মন যায়—কোনেও গম নোপোৱাকৈ দুৱাৰৰ বাহিৰ ফালে তলা লগাই মনে মনে কোঠালীৰ ভিতৰত সোমাই থকা এন্ধাৰবোৰৰ মাজত—অকলে শুই থাকিবলৈ। হয়তো কেতিয়াবা তেনে কৰি পেলাওঁ। মোক কেন্দ্ৰ কৰিয়েই আলহীবোৰৰ ইজনে সিজনৰ লগত কটাকটি কৰে, মৰামৰি কৰে, ইজনে সিজনৰ শত্ৰু হৈ পৰে চিৰদিনৰ কাৰণে। একোবাৰ দুখ লাগে যে উজ্জ্বল ভৱিষ্যতৰ সপোন দেখা বা বাট মোকলোৱা বহুতকে মই পঙ্গু কৰি পেলাইছোঁ, উচ্চাভিলাষী, সুচ্চৰিত্ৰৱাণ বহুতকেই মই কৰি লওঁ মাতাল—মদপী, অন্ধঃ কামনা বাসনাবোৰৰ যেন লক্ষ্যস্থান মইহে। কিয়—হেৰা জয়ন্ত, কিয় মই মৰি যোৱা নাই, 'তোমাৰ সৃষ্টি'ৰ এই জাত-বৰ্ণ কুলহীনা বেশ্যা নাৰীয়ে কিয় আজিও, এতিয়াও পাগলী হৈ যোৱা নাই !! মই ভালকৈ বুজি পাইছোঁ। জয়ন্ত, মই কৰা এই সকলোবোৰ 'ভাল-মন্দৰ' কাৰণে দায়ী মই নহয়—তুমি, তুমিয়েই জানো মোক 'বেশ্যা' কৰা নাই ?

অলপ আগতে পাইন গছবোৰে ধৰি থকা আকাশখনি বৰ মুকলি আৰু শান্ত আছিল। মোৰ কোঠাৰ সন্মুখৰ এয়া নাচপতি জোপাৰ পাত এটাও লৰা নাছিল। এতিয়া ধুমুহা আহো আহো হৈছে, পাইনৰ আগবোৰে বতাহৰ লগত যুঁজ লগাইছে। মুকলি আৰু শান্ত আকাশখনিক কৰবাৰ ক'লা মেঘৰ চুলিবোৰে বেৰি পেলাইছে। সেয়া নাচপতি জোপাতো বতাহৰ কোব

পৰিছে। হেৰা জয়ন্ত, বতাহজাকে দেখোন মোৰ ভালেয়া খোপাটি সোলোকাই পেলালে! কৰবাৰ পৰা উৰি আহি ছাই মিহলোৱা ধূলিবোৰে দেখোন মোৰ মুখখনি ক'লা কৰি পেলালে। ইচ্—চ—চ্...।

কলিকতাৰ সেই তিনিমহলীয়া ঘৰটিত থকা মোৰ খোজৰ চিনকিটি তুমি মচি পেলাবা; হয়তো তুমি এতিয়াও তাতেই আছা। নিউমাৰ্কেটৰ ওচৰৰ সেই (!!) ঘৰটোৰ লিফ্টবোৰৰ বিজুলী-বুটামকেইটাত মোৰ আঙুলীৰ দাগ লাগি থাকিব পায়—নতুন ৰূপহীৰ আঙুলীৰ হেঁচাই যদি নমচাকৈ আছে তুমি যেনে তেনে মচি পেলাবা দেই! সাগৰৰ পাৰৰ শিলচটাত তুমি আৰু মই বহি থকা অৱস্থাতে মোৰ টুকুটুকিয়া কৃত্ৰিম ৰঙীণ ভৰি দুখনি চৌৱাই নিয়া ঢৌটিক লগ পালে কৰা সি জোৱাৰৰ লগত আহি সেই শিলচটা নোচোৱাকৈয়ে ভাটাৰ লগত মিলি যাওক।

আশাকৰো তুমি ভালে আছা। ইতি—

তোমাৰ—
সেউতী

## সাৰ পাই

নিখিলে ভাবে শহুৰেকৰ ঘৰেও তাক ভাল নোপোৱা হল। হয়তো কাৰণ হ'ল দুটা—এক নম্বৰত তাতকৈ উপাৰ্জ্জনক্ষম আৰু এজন জোৱায়েক আছে আৰু দুই নম্বৰত তাতকৈ বেছি শিক্ষা পোৱা আৰু উপাৰ্জ্জনক্ষম জোৱাই আৰু এজন আছে। গতিকে নিখিলৰ ভাগত থকা ভালপোৱাখিনিবো তিনিভাগ হৈ তাৰ কাৰণে থাকিল মাথোন এভাগ। ইয়াৰ উপৰিও ভাল নোপোৱাৰ কাৰণ এইবোৰ হব পাৰে, যেনে:—দুই তিনিবাৰ বি. এ. পৰীক্ষা দি তাকেই পাছ কৰিব নোৱাৰিলে (সি জধা মূৰ্খ !!), নিখিলৰ প্ৰকৃতিৰ লগত তেওঁলোকৰ প্ৰকৃতি খাপ নোখোৱা বিধৰ......। তাৰ শৈলীয়েক অতি ধীৰ, শান্ত, সহজ আৰু সৰল দেখিয়েই হয়তো সি শহুৰ পৰিয়ালৰ বিৰুদ্ধে বিপ্লৱ কৰিবলৈ আন আন বিয়াহিত সকলক উচটাব নোৱাৰিলে। আগতে সি আছিল মাখি মৰা কেৰাণী, পাছত সোমাল কিবা এটা পুলিচৰ চাকৰীত, টকা জানো কিমান পায় ··· !

সীমাহীন বহুত কথাকেই নিখিলে ভাবে। মৰি যোৱা পিতাকটোলৈ তাৰ মনত পৰে, একোবাৰ ভালো পায়, খঙো উঠে। এবা সেই ওখকৈ খীণ চেহেৰাটি গোফকোচা মৰালৈকে শুখুৱালে ....। দীঘল এড়িয়া কাপোৰৰ কোটটো আৰু ৰঙা পাম্পচুজোৰ এতিয়াও গাওঁৰ ঘৰতে কৰবাত পৰি আছে। মুৰত ৰূপৰ টুপী

লগোৱা লাখুটিডাল হেব সিদিনাহে হৰেশ্বৰ বামুণে নিলে......

কিনো ভাওৰ চাকৰীটো আছিল পিতাকৰ—মণ্ডল, এয়েতো। দুই চাৰি পইচা ইহাত সিহাত কৰিব পাৰিছিল দেখিয়েই তাক ম্যাহেকত কলেজত পঢ়া খৰচ খিনি জোগাই আছিল। প্ৰতিখন চিঠিৰ দ্বিতীয় বা তৃতীয় ষ্টেন্‌জাত প্ৰায়েই লিখিছিল, "... ...অলপ জুখি-মাখি খৰছ কৰিবা, জানাই নহয় আয়ৰ কথা। টকা কুৰিটা পঠালোঁ, এই কেইদিন কিবাকৈ চলাবা. ..." ইত্যাদি ইত্যাদি । বাপেকলৈ তেতিয়া খং উঠিছিল তাৰ। খৰচ দিব নোৱাৰে যদি কলেজত পঢ়াবলৈ লৰা তুলিছিল কিয়! × × × × একে শ্ৰেণীতে পঢ়া নিৰ্ম্মালীক বিয়া কৰাব খুজিছিল, কিমান যে আদান প্ৰদান হৈছিল সিহঁতৰ মাজত—নিদিলে পিতাকে বিয়াখন পাতি। এতিয়া দিছে এইয়া 'শহুৰৰ জীয়াৰী' সীমাৰ লগত গাঠি লগাই। সীমা নে সীমাই, তালৈ যচা মৰমতো সীমা, চাল-চলনতো সীমা, লাগ-বান্ধ নোহোৱা কথা বতৰা যত যেনে সময়ত হব লাগে তাতো সীমা বন্ধা। মুখৰ হাঁহিতো তাই কৃপণালীয়েই কৰে নে সীমা বান্ধে সি বুজি নাপায়... ..।

নহবইবা কিয়। তাই জানো একে গুটিবে গজালি নহয়। অহঙ্কাৰী বুলি সি নকয় অৱশ্যে।

এদিন নিখিলে শহুৰেকৰ পৰা এখন চিঠি পালে "......সময় পালে এবাৰ আহি যাবা * * * দিম দিম বুলি হেলাতে চিঠি দিবও পৰা নাই... ..।" বহুত দিনৰ মূৰত পোৱা চিঠি। অলপ আগ্ৰহ

মিহলোৱা, আওহেলাৰ মাজেদি সি চিঠিখন পঢ়িছিল। কোনো জোৰ জবৰদস্তি নাই। একেবাৰে চিগিব নোৱাৰা সম্বন্ধ দেখিয়েই নিলিখো নিলিখো বুলি লিখা চিঠি নহয় জানো এয়া! 'সময় পালে এবাৰ আহি যাবা'—'এবাৰ যেনে তেনে আহিবা' নহল কিয়! 'হেলাতে চিঠি দিয়া নাই'—হেলা! হেলা আকৌ কিয়? * * * নতুন হলেও বহুত পুৰণি পুৰণি লগা সম্বন্ধটোৰ কাষে কাষে সি প্ৰীতিৰ ডোলেৰে বন্ধা মৰমখিনি দেখা পায়। এবা মৰম লগাব পৰাকৈ তাৰ দেখোন খুলশালীয়েক ৰেখা, মাজনী আৰু সোন্তি আছে। ৰেখা এতিয়া গাভৰু হৈছে, তাইৰ ফুৰা চকা একেবাৰে বন্ধ (ভিনিহিয়েকহঁতৰ ঘৰহে নালাগে কোন কোন আছে তাৰেই গম নাপায়। গাভৰু ছোৱালী --ভিনদেৰেকৰ ঘৰলৈ গৈ জানোচা কিবাখন লেটি লেটি লাগি যায়।) মাজনীৰ ৭।৮ বছৰ হৈছে; ভিন গাৱলৈ গৈ ঠাই পানী বদলি বেমাৰ আজাৰ হোৱাৰ ভয়তে ভিনিহিয়েকৰ ঘৰ দেখা নাই। আৰু সোন্তি—সিতো তেনেই সৰু। তিনিও কিন্তু মৰম নকৰাকৈ নাথাকে ভিনিহিয়েক। ভিনিহেকেও কম মৰম নকৰে সিহঁতক।

শহুৰেকৰ ঘৰলৈ নিখিল গ'ল—আগৰ দৰেই আচাৰ ব্যৱহাৰ। কোনো আড়ম্বৰ নাই, কোনো নতুনত্ব নাই। আহিবৰ সময়ত ৰেখাই খবৰৰ কাগজেৰে মেৰুওৱা কিবা এটা আনি দি কলে, "এইখন নিয়ক ভিনদেউ—।"

"কি দিলা?"

"গামোচা—মায় দিছে। বহাগত দিম দিম বুলি দিব নোৱাৰিলে।"
হাতত একৰকম গুজিয়েই দিলে টোপোলাটো।

বিহুৱান! অহিন মাহত আকৌ কিহৰ বিহুৱান! তাৰ মনত পৰিল—সীমাক এদিন সি সুধিছিল, "কিহে তোমালোকৰ ফালে বিহুৱান জোৱায়েকক নিদিয়ে নেকি? বহাগ দেখোন গলেই।" হয়তো বিহুৱান দিয়াৰ কোনো কথা নাছিল, সীমাই হয়তো কেতিয়াবা ঘৰলৈ যাওতে মাকক কলে, "জোৱায়েৰে বেয়া পাইছে তহঁতে এখন বিহুৱানো নিদিলি" বুলি। সি একো নকলে। কথাৰ সুৰ বদলাই ৰেখাক কলে,

"ৰেখা, বলা তোমাক আমাৰ তালৈ লৈ যাওঁ—যাবা?"

ৰেখাই একো নামাতিলে। জোৱায়েকক বিদায় দিবলৈ কাষতে থিয় হৈ থকা শাহুৱেকে কলে, "এতিয়া থাওক যোৱা, দিন কাল ভাল হলে পিতাকেই লৈ যাব।"

নিখিলে একো নেমাতিলে। সি বুজি পালে তাৰ লগত ৰেখাক পঠিৱাত আপত্তি আছে। এৰা, নিখিল হয়তো সন্দেহজনক, গাভৰু ৰেখাৰ সম্মান নিখিলে কিজানি ৰাখিব নোৱাৰে, আপোন ভায়েৰে নিখিলক শাহু-শহুৰেকে চোৱা নাই। সি একো নেমাতিলে।

ঘৰলৈ গৈ টোপোলাটো সীমাৰ হাতত দি কলে, "এয়া নিয়া—।" সীমাই একো নমতাকৈয়ে টোপোলাটো খুলিলে; একো নুসুধিলেও। নিখিলে কিন্তু আগতেই জানে যে সীমাই

অন্ততঃ নোসোধে ৰেখাক লৈ নাহিল কিয়, মাইতে কি কি কলে বুলি। সি মাত্র নিজকে নিজে এবাৰ হাহিলে।

কিছুদিন পিছৰ কথা।

নিখিলক বদলি কৰিছে চিলঙলৈ। সীমাক মাকৰ ঘৰতে থৈ সি গল।

মানুহে ভাৱে নিখিল ডাঙৰ অফিচাৰ, বহুত টকা পায়। এবা গাৱঁৰ মানুহে তাক এতিয়া সম্মানো কৰে। গাৱঁৰ কথা ভাবোঁতেই তাৰ হঠাৎ মনত পৰিল 'হাকিম'ৰ কথা। সিহঁতৰ তাতে আছিল চবডেপুটি। দুটা নে তিনিটা পুতেকো আছিল। এতিয়া হাকিমে চিলঙতে কিবা এটা ডাঙৰ চাকৰী কৰে। তাক পাইছিল সকতে। কিমান যে বিচিত্র ভঙ্গিমা দেখুৱাই তাক মৰম কৰিছিল। তাক মাতিছিল 'নিখু' বুলি।

এদিনৰ এটা কথা। চবডেপুটি থকা ঘৰৰ পাছফালে থকা এটা খালত আছিল কাৱৈ মাছ। উজান উঠিল—কাণ বাই বাই কাৱৈ মাছ কেইটামান মাটিৰে বগাই গৈ আছিল। নিখিলে এটা এটাকৈ ধৰি এডাল বনৰ ঠাৰিত গাঠি লৈ ঘৰলৈ যায় যায়। এনেতে হাকিমে ঘৰৰ পৰা হাঁহি হাঁহি ওলাই মুখত খং যেন দেখুৱাই কলে, "কোন সেইটো—আমাৰ মাছ ধৰিছ ?

নিখিল বেঙেমুতা গৰু যেন হল। আগবাঢ়ি আহি হাকিমে কলে, "দে মাছবোৰ · ।" সি ফেকুৰি ফেকুৰি কান্দি কান্দি দিলে মাছ কেইটা। হাকিমে তাকো ঘৰলৈ নি কিবাকিবি মিঠাই খাবলৈ দি কলে,

"মাছ কেইটা নে। মাৰক কৰি—ভালকৈ ভাজিব। দুটা ভজা মাছ লৈ তই তাত ভাত নোখোৱাকৈ আহিবি। ভাত নাখাবি কিন্তু—কৈছো। আনিবি নে নাই ?"

"আনিম।"

"কেইটা ; আনিবি ?"

"—দুটা"

"অ, দুটা ; এটা তোৰ এটা মোৰ।"

সি দুপৰীয়া ভজা মাছকেইটা লৈ সচাঁকৈয়ে আহিছিল। হাকিমনীয়ে তাক খুব মৰম কৰি হাকিমৰ লগত ভাত খাবলৈ দি কিমানযে বস্তু খুৱাইছিল ! এবাৰ এটা চোলাও দিছিল। হাকিমে তাক কৈছিল, "······সদায় আহিবি কিন্তু···।" সিও সদায় গৈছিল। সেইজন হাকিম ইয়াতে কৰবাত আছেহি। তেওঁৰ কথা ভাবি ভাবিয়েই সি আত্মহাৰা হৈছিল। এৰা, বৰ ভাল মানুহজন, ইয়াত পালে যে কিমান মৰম কৰিব ! নামটো নেজানে ; জানে হাকিম বুলি। কাকো সুধিবলৈকো নহল। বহুত কথা তাৰ মনত পৰে। অলপ অকলশৰীয়া হলেই মনটো উকণ্ডা উকণ্ডা লাগে। সীমাৰ কথা মনত পৰে। সীমাতকৈ ধুনীয়া ছোৱালী এজনী আছিল হাকিমৰ। কিমান ধুনীয়া আছিল তাৰ মনত নপৰে ; মুঠতে সীমাতকৈ ধুনীয়া আছিল বুলি সি কল্পনা কৰি পেলায়। তাইৰ লগত বিয়া হোৱা হলে শহুৰেকো পালেহেঁতেন মনেখোৱা···সিও পালেহেঁতেন···।

আৰু কেইদিনমান পাছৰ কথা। নিখিলে কিবা এসোপা লিখি আছিল বিছনাৰ ওপৰতে বহি। হেন সময়তে গোঁ গোঁকৈ সোমাই আহি তাৰ সহকৰ্ম্মী চন্দন মহন্ত। কাষত থকা চকীখন টান মাৰি আনি বহিয়েই কলে, "কিনো সোপাটো কৰি থাকাহে? ব'লা আমাৰ কালে। পুলিচত চাকৰী কৰিলোঁ বুলি আমি কিবা ৰাম হবি চিন্তাও নকৰিম নে?"

—"নহয় ৰবাচোন, অলপমান আছে। এই চালা নংক্ৰেমৰ কেচটো, জুলুম কৰি মাৰিলেহে। এনে অঘাইত ডকাইত···! ৰহাচোন বহগ অলপ পৰ···।" সি পুনৰ লিখাতেই ব্যস্ত হল।

মেজৰ ওপৰত নতুনকৈ খোলা চিঠিখনিৰ লেফাফাটো তুলি লৈ চন্দনে সুধিলে, "কোন ৰূপহীৰ হাতৰ লিখা এয়া বান্ধে? কৰবাত ইতিমধ্যে ফাছ তাছ লগাইছা নেকি? কোন সেই ভাগ্যৱতী? বিয়া চিয়াৰ কিবা······।"

"এৰা, এজনী ছোৱালীৰ চিঠি অৱশ্যে। দুৰ্ভাগ্যবশতঃ ফাছ নলগা বিধৰ—ভনী সম্বন্ধৰ। ভাগ্যৱতী হবলৈ এজনী নহলেই দিয়া, বুজিছা? সেইবোৰ অদিকা কেলেঙ্কাৰী—নহয় জানো?"

"তুমি দেখিছোঁ একেবাৰে ভোলানাথ হবলৈ স্থিৰ কৰিছা। গেৰুৱা কাঁপোৰৰ দাম সুধিম নেকি?"—চিঠিখনৰ লেফাফাটোৰ, আখৰ কেইটা আৰু এবাৰ ভালকৈয়ে চালে।

নিখিলে কলে, "হেৰা ইমান সন্দেহ কৰিব নেলাগে। এজন বন্ধুৰ

ঘৈনীয়েকে দিছে। গিৰিয়েকৰ কেলাৰ, টকা পইচা নাই—বি 'পাবো সহায় কৰিব লাগে। তাই একালে সম্বন্ধীয় ভনী আৰু আনকালে বন্ধুৰ ঘৈনীয়েক।"

অলপ পিছত চন্দন গল।

আবেলি। পুলিচ বজাৰত কিবা এটা কেচ ধৰি আহি বহি কিবা লিখি আছে। এনেতে সোধপোচ নোহোৱাকৈয়ে এজনী জীয়াগাভৰু আৰু বুঢ়াবুঢ়ী এহাল লগত লৈ চন্দন মহন্ত সোমাই আহিল। নিখিলৰ কোনো অনুমতি নেলোৱাকৈয়ে চকী তিনিখন আগবঢ়াই দি চন্দনে কলে,—"এৱেই আমাৰ নিখিলবাবু। হেৰা, তোমাক চাবলৈ আহিছে। চিনি পাইছানে নাই—বাবা, মা আৰু এয়া মোৰ সৰু ভনীজনী—নাম তাইৰ শান্তি।"

নিখিলে বুঢ়াবুঢ়ীক নমস্কাৰ জনাই কলে,—"অহাই ভাল হৈছে।"

"এৰা। চন্দনকো কৈ থাকো - এজন তামোলখোৱাৰ পৰা লৰা পুলিচ বিভাগত সোমাই ইয়ালৈ আহিছে বোলে—আনিবিচোন আমাৰ ফালে চিনাজনা হম। ময়ো আগেয়ে তাতেই আছিলোঁ। চৰ্‌ডেপুটি হৈ। সেয়েহে সেইফালৰ মানুহ আহিলে আপোন আপোন লাগে। আজি আকৌ নংথিমাইৰ ফালে যাওঁ বুলি আহি বাটতে বোলো সোমায়ে যাওঁ; এই বুলিহে আহিলোঁ।"

নিখিলে বুঢ়াজনলৈ এবাৰ ভালকৈ চাই ললে। তাৰ পিছত

ভিতৰত থকা বুঢ়া মিহিৰামলৈ কিবা ইঙ্গিত কৰিলে। নিখিলে কলে "চন্দনে আজি ৰাতিপুৱা কৈছেহে, সুবিধা উলিয়াই গলো। হেন্তেন। ভাল হৈছে বহক।"

"এৰা! একে অসমীয়া মানুহ। জনা শুনা ঠাইৰ পৰা আহিছা। চিন'-জনা হৈ থব লাগে। তোমালোকৰ তাত মোৰ বহুত বন্ধু বান্ধৱ……। চিলঙলৈ আহিছা—ভালেই হৈছে। আমাৰো ডাঙৰজন জোৱাই—জগত কলিতা আছে ধুবুৰীতে, অভাবচিয়াৰ কাম কৰে। তোমাৰে সৈতে ঠিক একে ঠগৰ……।"

ঘৈনীয়েকেও হুঁকাৰ ধৰি কলে,—"এৰা। ভায়েক ককাযেক যেন দেখি।" গাভৰুজনীয়েও এবাৰ চালে, নিখিলৰ ফালে, চন্দনে মিচিক-মাচাককৈ হাঁহি আছিল।

মিহিৰামে চাহ আনি দিলে। কথা কৈ কৈয়েই চাহ খোৱা শেষ কৰি বুঢ়াই কলে, "যাবাচোন আমাৰ ফালে কাইলৈ। পাঁচ মান বজাত গলে ভাল হয়। আটাই কিজনে ঘৰতে থাকো……।" কিবাকিবি কৈ আটাযে উঠি যায়।

এৰা, গাভৰুজনী—তাই চাইযেই আছিল মাজে মাজে নিখিলৰ ফালে। শাৰীৰিক গঠন অকণো বেয়া নহয়, মুখত বসন্তৰ

দাগৰ দৰে শালমনৰ দাগকেইটা নোহোৱা হলে আৰু ৰূপহী হৈ থাকিলেহেতেন। আমৰলু পকৰাৰ দৰে সৰু কৰ্কালখনিৰ ওপৰেদি ৰঙা পাৰী দিয়া চাদৰখনি মেৰুৱাই আধা আধি উদং কৈ ৰখা বেঙুনীয়া ৰঙৰ ব্লাউজেৰে লিপিত খোৱা বুকুখনিয়ে নিখিলৰ চকুহালিৰ লগত লুকাভাকু খেলি থকা, জুইৰ অণ্ঠাৰ দৰে জিল্‌-মিলাই, তিৰ্‌বিৰাই থকা চঞ্চল চকুজুৰিয়ে শান্তিৰ চকুৰ মোহিনী চাৱনিৰ পৰিচয় দিয়া ... । পৰিয়ালটো বেয়া নহব পায়। বুঢাৰ জোৱায়েক জগত কলিতা—নিখিলৰ সহপাঠী কলেজৰ। সি গৈ এতিয়া ধুবুৰীতহে আছেনে বিয়াবাৰু কৰাই! বিয়া কৰাবৰো আজি কেবাবছৰো হব পায়। এবাৰ জগতে কৈছিল, "তহঁতৰ তাতেই চৰ্‌ডেপুটি হৈ আছিল অ' আমাৰ শহুৰৰ জীয়েকৰ পিতাক...... ।" তেন্তে এৱেই নেকি সেয়া হাকিমবাবু!

বুঢ়া মিহিৰাম সোমাই আহিল আৰু কলে, "অ' লম্ভিলে নেকি? আহিছিল কিবা বিয়াৰ প্ৰস্তাৱ লৈ নে যুৱতী দৰ্শন দিয়াবলৈ? কাৰ তাৰ্ত যে বিয়া নিদিয়ে—বিয়াহে দেখোন হৈ নাহে। এজন জোৱায়েকে নি ৰাখিছিল নহয় বাইদেৱেকৰ লগত কেইদিনমান। তাঁতো ভিনিহীয়েৰ কোনোবা খুৰাকৰ পুতেক নে কাৰ লগত লাগিল লেটিপেটিখন, ধৰাও পৰিল, বিয়াও নহল; লাজে অপমানে গুচি আহিল। সিদিনাৰ পৰা ভিনিহীয়েকে কয় বোলে গাভৰু ছোৱালী ঝুৰাচকাত সাৱধান কৰি নেৰাখিলে বিপদ। ইয়াতেই ৰহি কৈ গৈছে। ভাল লম্ভিলে দেও। এতিয়া আৰু ইয়াত

চাহ ভাতৰ দিহা নকৰিলেও চলিব · · · ।” মেজখন মচি মচিয়েই ভোৰভোবাই আছিল সি।

মিহিৰামে বহুত কথাৰেই খবৰ পায় দেখোন! এইবোৰৰ পম খেদি ফুৰিবলৈ তাৰ কি হৈছে। সিহঁতৰ মাজত থকা বহুদিনৰ পৰিচয়ৰ কথা নজনাকৈ মিহিৰামে এইবোৰ বলকিব কিয়।

পিছদিনা চন্দন আহিছিল নিখিলক নিবলৈ। সি যাব নোৱাৰিলে কামৰ কাৰণে। পুলিচ বিভাগৰ মানুহ—লাগ বুলিলেই যাব লাগে, ডিউটি পৰিলে দেহত ভগৰন্ত নেথাকে। চালা এই ডিউটিবোৰ যে—সময় অসময় নাই। মানুহবোৰৰ হৈছে কি কাজিয়াবোৰ কৰি মৰিবলৈ। মৰ তো মৰ তহঁতে, –এই পুলিচ বিভাগত কাম কৰা মানুহকেইটাৰ দেহা মাৰ কিয়? ভালেইহে নিখিলৰ পিতাকে কৈছিলনে, “বোপা, পুলিচ চুলিচত চাকৰী কৰিব নেলাগে। বি,এ, পাছ কৰিব পাৰিলে মাষ্টৰ চাষ্টৰ হৈ থকাই ভাল।” সি পাছো নহল, মাষ্টৰো নহল। পুলিচ বিভাগতেই সোমাল। হওকচোন তেও—আপোন মানুহৰ ঘৰলৈ নাইবা ইচ্ছামতে ফুৰাচকা কৰিব পৰা হেতেনো······।

পিছদিনাও চন্দন আহিল। নিখিল গল লগতে।

ঘৰখন বেচ হলি গলি। খোলাভাৱেই সকলোৱে মৰম যাচিছে। চিনা জনা হৈ গৈছে —সি হাকিমৰ ‘নিখু’ আৰু তেওঁ ‘নিখু’হঁতৰ

'হাকিম' তাহানিৰে ; গাভৰু ছোৱালী শান্তি—তাই খোলা-ভাবেই আহিছে, কথা পাতিছে, পৰিচৰ্য্যা কৰিছে। তাইৰ সৈতে অকলশৰে কথা পৰ্য্যন্ত পাতিবলৈ অবাধ সুবিধা দি দিছে। কিন্তু, কোনো সম্বন্ধ নোহোৱা গাভৰু ছোৱালী এজনীক এনেদৰে অকলশৰে কথা পাতিবলৈ যে এৰি দিছে, নিখিলৰ নিজৰ শহুৰেকহঁতেতো নিজৰ খুলশালীয়েক ৰেখাক ফুৰাবহে নেলাগে, ভালদৰে কথা পাতি ৰং তামচা কৰিবলৈকো সুবিধা নিদিয়ে। এৰা, নিখিলৰ শহুৰেকৰ পৰিয়াল ভাল নহয়,—'বেকৱাৰ্ড'—অন্তৰত মলি বন্ধা। সীমাৰ পৰা সীমাবন্ধা চিঠি পায়, শহুৰেক, খুলশালীয়েকহঁতৰ পৰাও পায়। প্ৰতিজনৰে সুৰ বেলেগ বেলেগ। সীমাৰ চিঠিত আছে এটা ভালপোৱাৰ উম, আছে অলপ মাদকতা—বৰ চুটি হলেও ; ৰেখাৰ চিঠিত এটা জীৱন্ত মৰম সনা সুৰ আছে ; কিন্তু তাতো যেন কিবা এটা নাই। আৰু শহুৰেকৰ চিঠিত……। চিঠিবোৰ তেনেই বেয়া নহয় ; কিন্তু তাৰ মাজতো যেন সি হিয়া ধালি দিয়া মৰম বিচাৰি নাপায়। চন্দনহতঁৰ পৰিয়ালটো তেনেই বেয়া নহয় ; অন্ততঃ তাক কৰা মৰমত কৃপণালী নাই, সন্দেহ কৰিবলৈও তেওঁলোকৰ একো নাই…।

শান্তিয়ে নিখিলৰ কাষতে বহি অলপ অলপ লাজ আৰু মৰম মিহলোৱা সুৰতেই কথা পাতি আছিল। এনেতে বুঢ়া সোমাই আহিল—পিছে পিছে বুঢ়ীও। বুঢ়াই কলে—

"নহা মানুহ আহিলা। আহি থাকিবা মাজে মাজে ; মাজে মাজে

নহঁয়—সদায়ে। চন্দনো নেথাকে ঘৰত বেচি ভাগ; শান্তিয়ে সোধ-পোচ কৰিব লাগিব। বুজিছ শান্তি, আমাৰে ঘৰৰ মানুহ। বহুদিন আগৰে পৰিচিত। সৰুতে নিখিল আমাৰ বৰ মৰমৰ আছিল। ·······যাৱ যদি বোপাৰ লগতে ফুৰিবলৈ যাব পাৰ, চন্দনো যায় নেকি একেলগে? নিজৰ মানুহৰ লগত ফুৰাচকাত কিহৰ লাজ··· ·!" একেবাৰে নোবোৱাকৈ কথাখিনি কৈ যায়।

বুঢ়ীয়েও ভালকৈ চাই লয় নিখিলক। ডেকা লৰা, সুন্দৰ চেহেৰা, ২৫।২৬ বছৰীয়া ডেকাই বিয়া নকৰালে বয়স আগুৱাই যায়······।

·· ··· নিখিল আৰু দুটা পৰিয়াল—এটা চিনি পাইও অচিন, একেবাৰে পুৰণি হৈও নতুন অথচ নিঃসন্দেহভাৱেই হলিগলি, আৰু আনটো একেবাৰে সুপৰিচিত, লগা সম্বন্ধীয় অথচ নিমৰ-মীয়াল, অন্তৰবিহীন······।

সীমা—তাই সংযত, শহুৰেকৰ পৰিয়াল—'বেক্‌গ্ৰাৰ্ড', আপোন জনৰ প্ৰতি সন্দিহান।

শান্তি,—তাই মুকলিমুৰীয়া, হয়তো আনন্দদায়ক, পৰিচয়ৰ প্ৰথম খোজতে আন্তৰিক চেনেহৰ সন্ধান দিব খোজা বিধৰ।

আৰু নতুন পৰিয়ালটো······।

শান্তি বেচ মুকলি হৈ যায় দিনবোৰৰ লগে লগে। নিখিলে সঘনাই যায় চন্দনহতঁৰ ঘৰলৈ। মৰমবোৰে নতুন নতুন কণী পাৰে, নতুন নতুন মৰমৰ পোৱালী জগে, পৰিচয়ৰ নতুন নতুন ধাৰাবোৰ ওলাই থাকে, প্ৰীতিভাৱ গাঢ় হৈ যায়। এমাহ—দুমাহ—তিনিমাহ বাগৰি যায় বিছু আহে; ফুলাম গামোছাৰ বিহুৱান পায় নিখিলে—'হাকিম' পৰিয়ালৰ পৰা। সীমাৰ পৰা চিঠি আহে, "...বিহুত আহিবলৈ চেষ্টা কৰিব..." শহুৰেকৰ পৰা চিঠি আহে, "...পাৰা যদি এবাৰ আহিবা...", ৰেখা, মাজনীৰ পৰা চিঠি আহে...। চিঠিবোৰত অনুভূতি আছে, প্ৰাণ নাই।

* * * দিনবোৰ গৈয়েই থাকে, নিখিল-শান্তিৰ কথাৰ ব্যৱধানবোৰ ওচৰ চাপে। গল্‌ফলিঙ্ক, ৰেস্তোঁৰা, চিনেমা হলত নিখিলৰ আজৰি সময়বোৰ যায় শান্তিৰ লগত। কেতিয়াবা কেতিয়াবা বহুত ৰাতি ফুৰি ফুৰি আহি ভাত পানী ৰান্ধি অতাই, নিখিলৰ অপেক্ষাত টোপনিয়াই থকা মিহিৰামে নতুনৰ পুৰণি আলহী শান্তিৰ কাৰণে চাহ, কণীৰ টোচ বা মামলেট.... · কৰি দিবলৈ গাত ভত নেপায়। কেতিয়াবা ভাত পানী ৰান্ধি বৈ থকা মিহিৰামে হঠাতে আৱিৰ্ভাৱ হোৱা নিখিলৰ পৰা শুনে—"তই ভাত খোৱা নাই? খা—। মই মহন্তইঁতৰ ঘৰতে খাই আহিলোঁ।" * * * দিনবোৰ গৈয়েই থাকে, দুমাহ যায়—তিনি মাহ যায়—যায়।

মিহিৰামৰ কেতিয়াবা খং উঠে বেচিকৈয়ে। নিখিলে শুনাকৈ ভোৰভোৰাই কৈ থাকে,"......নিজে পস্তাব লাগিব। লোকে

গছকা বোকাত ভৰি নিদিবলৈ মানুহে এনেয়েহে কয় নে? এয়ে প্ৰমাণ। আগৰ জনা জোৱায়েকক বিয়াৰ আগতে—হে ভগৱান, কত যে স্বৰ্গত তুলি নথলে, লেটি-পেটি লগাই যেই হৈ গল বিয়া—মাৰিলে টেকৃকা। এজনী বিয়া কৰাই আকৌ এইখন···। বিয়া কৰোৱা বুলি বুঢাই নেজানে হবলা······।"

হিয়া সাগৰত থৌকি বাথৌ লগোৱা কিহবাৰ স্মৃতি এটাৰ বুকুত ফেনে ফোটোকাৰে এযা জানো ভুলকৈ বোৱা সোঁত! সেযা কিহৰ বনুজননি!। বিজুলীৰ চিকিমিকিযে চিকৃমিকোৱা ক'লা আশাৰ মাজত বগা পোহৰ নে আত্মৰক্ষাৰ পুৰতি বেলিৰ ৰেঙনি বিচাৰি আত্মহত্যাৰ······ ॥

মহন্তইঁতে জানো তাক বিবাহিত বুলি নেজানে? নিখিলে শুনিয়ে থাকে —নেমাতে।

এদিন।

চন্দনৰ পিতাকে নিখিলক কলে, "ফাগুন পৰিলহি। বহাগলৈ বান বাৰিষাৰ দিন। লেঠাটো এই মাহতে মৰা বেয়া নহয়ঃ কিজানি। বাণি-জোৰা চোৱাৰ একো দৰ্কাৰ নাই; আজিকালি সেইবোৰ কোনে মানে?"

"কিহৰ কথা কৈছে ?" নিখিলে বুজি পোৱা নাছিল ; আচৰিত হৈ সুধিলে।

"বিয়াৰ। ফাগুন মাহতে অসুবিধা হব জানো ?"

"কাঁৰ বিয়া ?" —অলপ আচৰিত হৈয়েই সি আকৌ কয়, "মোৰ বিয়া হৈছে নহয়! তিনি বছৰেই হব এতিয়া।"

নিখিলে দেখিলে বুঢ়াটোৱে আচৰিত হৈ চকু দুটা থিৰকৈ চাইছে ; চাৱনিত এটা অকৃতকাৰ্য্যতাৰ চিন—সকলো আয়োজন যেন পণ্ড হৈ গল। ভেনেহলে 'হাকিমে' সঁচাকৈয়ে বিয়াৰ কাৰণেহে এয়া সম্বন্ধ স্থাপন কৰিছিল! মিহিৰামৰ কথা ভেনেহলে সঁচা !! ইয়াৰ আগতেই অন্ততঃ 'হাকিমে' নিখিলক অবিবাহিত নেকি সুধিব লাগিছিল, নাইবা কথাৰ সূত্ৰতে নিখিলে নিজেই বিবাহিত বুলি জনাব লাগিছিল। ছিঃ, সকলো গল এতিয়া—এনেয়ে।

"সঁচা ?"—বুঢ়া মহন্ত একৰকম বজ্ৰপৰা মানুহৰ দৰেই হৈছিল। অনুশোচনাই কৰিবলৈকো যেন সময়খিনি ভাল নেলাগিল। সকলো মিছা হল। বুঢ়াৰ অলপ খঙো উঠিছিল। দূৰত চকুৰ আঁৰত থিয় হৈ থকা শান্তিয়ে থৰকৃবৰকৃকৈ শোৱা কোঠাত সোমাইছিল গৈ। বুঢ়ায়ো একো নেমাতি ভিতৰ সোমাল।

নিখিলে ফিৰি আহি মেজৰ ওপৰত নতুনকৈ অহা লেফাফাটো খুলি পঢ়ে, "ভিনুদেউ! আপুনি সঁচাকৈয়ে আমাক পৰ বুলি ভাৱে নেকি ? আমি দুখীয়া বুলি হয়তো আপোনাক সন্তুষ্ট কৰিব

Please handle the book carefully.



পৰা নাই……আপুনি আমালৈ চিঠি দিবলৈ এৰিলে। বাইদেৱে সদায় চকুলো টুকি থাকে; সুধিলে একো নহয়। বোধহয় আপুনি বাইদেউৰ খবৰ নোলোৱা কাৰণেই কান্দে……। পিতাই বাৰু কি দোষ কৰিলে……আয়ে আপোনাক যেনে তেনে মাতিছে…।"

নিখিলে চিঠিখনি জপাই থয়; কিবা ভাবি থাকে। মিহিৰামে এবাৰ সোমাই আহি সোধে—"কিবা লাগিব নেকি?"

নিখিলে "উহুঁ" বুলি কৈয়েই ভাবি ভাবি বিচনাত দীঘল দি পৰে।

THE ASSAM HARDI HALL & LIBRARY
-2 DEC 1958
GAUHATI